সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved

Postal Redg. No. GH- 098/2012-17

৩২ বছৰ, ৪১ সংখ্যা, ২৩ আহিন, ৰবিবাৰ,১৪৩৩ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪

RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 41 Date of Publication- 11 October 2026 Rs. 10.00/-

## তামুলপুৰৰ পাটকিজুলি হাইস্কুলত এছএছবিৰ অনুষ্ঠানত অংশগ্ৰহণ ৰাজ্যপালৰ




ৰঙিলী বাৰ্ত্তাসেৱা- জাতিৰ শক্তি সৰল জনগোষ্ঠী আৰু স্বাৰলম্বী গাঁৱত নিহিত হৈ আছে বুলি আলোকপাত কৰি অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৰ কাষৰীয়া এখন গাঁও পাটকিজুলি পৰিদৰ্শন কৰি গ্ৰাম্য জীৱিকা শক্তিশালী, মহিলা সবলীকৰণ আৰু যুৱক-যুৱতীসকলক অধিক সুযোগ প্ৰদানৰ বাবে সামূহিক প্ৰচেষ্টাৰ আহ্বান জনায়। তেওঁ কয় যে সীমান্তৱৰ্তী গাঁওসমূহ যেতিয়া সৰ্বাংগীন উন্নয়ন, অৰ্থনৈতিক স্বাৰলম্বীতা আৰু সামাজিক সম্প্ৰীতিৰ কেন্দ্ৰ হৈ পৰে তেতিয়াহে বিকাশ ভাৰতৰ দৃষ্টিভংগী বাস্তৱায়িত হ'ব পাৰে। 'নমো মাতৃভূমি সুৰক্ষা আৰু স্বাৱলম্বন সংকল্প সপ্তাহ'ৰ অধীনত পাটকিজুলি উচ্চ বিদ্যালয়ত সশস্ত্ৰ সীমা বলৰ ৬৪ সংখ্যক বেটেলিয়নৰ উদ্যোগত অনুষ্ঠিত এক অনুষ্ঠানত ৰাজ্যপালগৰাকীয়ে অংশগ্ৰহণ কৰে। লোকভৱন, অসমৰ সহযোগত তথা সশস্ত্ৰ সীমা বলৰ সৈতে যৌথভাবে 'ভাইব্ৰেন্ট ভিলেজেছ প্ৰগ্ৰাম'ৰ অধীনত আয়োজিত অনুষ্ঠানটোত সীমান্তৱৰ্তী অঞ্চলৰ জনসাধাৰণৰ কল্যাণ, স্বাস্থ্য সজাগতা, মহিলাৰ সবলীকৰণ আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰা হয়। অনুষ্ঠানত স্থানীয় ৰাইজ, ছাত্ৰ-ছাত্ৰী আৰু আত্মসহায়ক গোটৰ সদস্যসকলৰ সৈতে মত বিনিময় কৰি ৰাজ্যপাল আচাৰ্যই কয় যে সীমান্তৱৰ্তী গাঁওসমূহৰ উন্নয়ন 'বিকশিত ভাৰত'ৰ সপোনৰ সৈতে ওতপ্ৰোতভাৱে জড়িত। শক্তিশালী ভাৰত নিৰ্মাণৰ বাবে গাঁওসমূহ স্বাৱলম্বী হোৱাৰ লগতে গাঁও বাসীসকল দক্ষ, আত্মবিশ্বাসী আৰু সক্ষম হোৱাটো অতি প্ৰয়োজনীয় বুলি তেওঁ মন্তব্য কৰে। আন্তঃৰাষ্ট্ৰীয় সীমান্তত দেশৰ নিৰাপত্তাৰ দায়িত্ব পালন কৰি অহা এছএছবিৰ জোৱানসকলৰ কৰ্তব্যনিষ্ঠাৰো তেওঁ শলাগ লয়। নৱৰাত্ৰিৰ প্ৰাকক্ষণত তামুলপুৰবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰি ৰাজ্যপালগৰাকীয়ে জিলাখনৰ সমৃদ্ধ-জনগোষ্ঠীয় পৰম্পৰা, জনজাতীয় ঐতিহ্য আৰু সাংস্কৃতিক বৈচিত্ৰ্যৰ প্ৰশংসা কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত বিদ্যমান সম্প্ৰীতি ( দুই পৃষ্ঠাত চাওক)

## ৰিলায়েঞ্চৰ স্বত্বাধিকাৰী আম্বানিক প্ৰধানমন্ত্ৰী সম্বোধন এলন মাস্কৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ষ্টাৰলিংকক ভাৰতৰ বজাৰত মুকলি কৰাত পলম হোৱাৰ বাবে ক্ষোভ প্ৰকাশ কৰে স্পেচ এক্সৰ মুৰব্বী তথা মাৰ্কিন ধনকুবেৰ এলন মাস্কে। কোনো কোনো গোষ্ঠী আৰু প্ৰভাৱশালী লোকসকলে - ষ্টাৰলিংকক ভাৰতত প্ৰৱেশত বাধা দিছে বুলি দাবী তুলি সৰৱ হৈছে এলন মাস্ক। এইবাৰ ৰিলায়েঞ্চৰ স্বত্বাধিকাৰী মুকেশ আম্বানিক পোনপটীয়াকৈ লক্ষ্য কৰি লৈছে তেওঁ। তেওঁ কয়, 'প্ৰিয় প্ৰধানমন্ত্ৰী আম্বানি, আপুনি যে ভাৰতৰ আচল বছ সেইটো বুজি নোপোৱাৰ বাবে মোক ক্ষমা কৰিব। শেহতীয়াকৈ নিজৰ এক্স হেণ্ডেলত এটা প'ষ্ট কৰে মাৰ্কিন ধনকুবেৰগৰাকীয়ে। তাত তেওঁ লিখিছে- ক্ষস্বাভাৱিকভাৱে ভাৰতৰ মহান জনসাধাৰণৰ ওপৰত (দহ পৃষ্ঠাত চাওক)

## ধ্ৰুৱ ৰাথীক ঘৰৰ পৰা আৰু অভিজিৎ দীপকেক বিমানতে আটক আৰক্ষীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত ক'কৰোচ জনতা পাৰ্টীয়ে আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীক কেন্দ্ৰ কৰি ৰাজধানী নতুন দিল্লীত পৰিৱেশ উত্তপ্ত হৈ পৰিছে। আন্দোলন ৰোধ কৰিবলৈ দিল্লী আৰু প্ৰশাসনে গঢ়ি তুলিছে কটকটীয়া নিৰাপত্তা বেষ্টনী। ইয়াৰ মাজতে ইউটিউবাৰ ধ্ৰুৱ ৰাথীক আটক কৰিলে দিল্লী আৰক্ষীয়ে। শনিবাৰে পুৱা গুৰুগ্ৰামৰ ছেক্টৰ ৫৬স্থিত তেওঁৰ বাসগৃহৰ পৰা আৰক্ষীয়ে ৰাথীক আটক কৰা বুলি জানিব পৰা গৈছে। ককৰোচ জনতা পাৰ্টি দিল্লীৰ যন্তৰ মন্তৰত আহ্বান জনোৱা প্ৰতিবাদী কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈ ৰাথী দিল্লীলৈ অহা বুলি জানিব পৰা গৈছে। জাৰ্মানীৰ নাগৰিকত্ব থকা (দহ পৃষ্ঠাত চাওক)

## হিমাশ্ৰী বড়োৰ মৃত্যুৰ তদন্তৰ বাবে অন্ধ্ৰপ্ৰদেশ আৰক্ষীৰ এছআইটি গঠন



ৰঙিলী বাৰ্ত্তাসেৱা- হিমাশ্ৰী বড়োৰ ৰহস্যজনক মৃত্যুৰ ঘটনাটো অন্ধ্ৰপ্ৰদেশ চৰকাৰে অতি গুৰুত্বসহকাৰে লৈছে। শেহতীয়াকৈ এই ঘটনাটোৰ তদন্ত কৰিবৰ বাবে ২১ জনীয়া জোৱানৰে গঠিত ৭ টা আৰক্ষী দলক নিযুক্তি দিয়া হৈছে । অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে যুৱতীগৰাকীৰ মৃত্যুত শোকপ্ৰকাশ কৰাৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুলৈ এক পত্ৰ প্ৰেৰণ কৰি ঘটনাৰ উচিত তদন্ত কৰিবলৈ দাবী জনায় । মুখ্যমন্ত্ৰী ড° শৰ্মাৰ এই দাবীৰ পাছতে অন্ধ্ৰপ্ৰদেশ চৰকাৰে তদন্তকাৰী দল গঠন কৰি ঘটনাৰ তদন্ত চলাই আছে । ২১ বছৰীয়া হিমাশ্ৰী বড়ো গুৱাহাটী মহানগৰীৰ বোন্দাৰ চপাইদঙৰ বাসিন্দা আছিল । বিশাখাপট্টনমত অনুষ্ঠিত এক সাংস্কৃতিক অনুষ্ঠানত অংশগ্ৰহণৰ উদ্দেশ্যে যুৱতীগৰাকীয়ে অন্ধ্ৰপ্ৰদেশলৈ গৈছিল । বিগত ১৬ ছেপ্টেম্বৰত দহজন বন্ধুৰ সৈতে বিশাখাপট্টনমত তেওঁ উপস্থিত হৈছিল । অনুষ্ঠান সামৰি বিগত ৬ অক্টোবৰত ২২৫০৩নং বিবেক এক্সপ্ৰেছেৰে হিমাশ্ৰীয়ে বিশাখাপট্টনমৰ পৰা গুৱাহাটীস্থিত ঘৰলৈ অকলশৰে ওভতিছিল । কিন্তু অতি দুৰ্ভাগ্যজনকভাৱে আদবাটতে হিমাশ্ৰী বড়োৰ মৃত্যুৰ হয়। অতি ৰহস্যজনকভাৱে ৭ অক্টোবৰত হিমাশ্ৰী বড়োৰ নিথৰ দেহ ৰে'ল আৰক্ষীয়ে অন্ধ্ৰপ্ৰদেশৰ টিকুলামপুৰৰ ৰে'লপথৰ সমীপৰ এখন হাবিৰ দাঁতিত উদ্ধাৰ কৰে । ইফালে আপোন ঘৰলৈ আহি থকা সময়তে ৰহস্যজনকভাৱে ৰে'লত ( দুই পৃষ্ঠাত চাওক)

# তামুলপুৰৰ পাটকিজুলি হাইস্কুলত

আৰু সহাৱস্থান ভাৰতীয় সভ্যতাৰ বৈচিত্ৰ্যৰ মাজত ঐক্যৰ জীৱন্ত প্ৰতিফলন বুলি তেওঁ উল্লেখ কৰে। ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰসংগত ৰাজ্যপালগৰাকীয়ে নাগৰিকসকলক সততা, অনুশাসন আৰু নিষ্ঠাৰে নিজৰ দায়িত্ব পালন কৰি বলৈ আহ্বান জনায়। তেওঁ কয় যে ৰাষ্ট্ৰ সেৱাৰ আৰম্ভণি নিজৰ গাঁওখনৰ উন্নয়নত অৰিহণা যোগোৱাৰ পৰা, সহনাগৰিকক সহায় কৰাৰ পৰা আৰু সমাজৰ কল্যাণৰ বাবে আন্তৰিকতাৰে কাম কৰাৰ পৰাই হয়। 'ৰাষ্ট্ৰ প্ৰথম'ৰ নীতিৰে দেশৰ উন্নয়নত প্ৰতিগৰাকী নাগৰিকে নিজৰ অৱদান আগবঢ়াব লাগে বুলি তেওঁ আহ্বান জনায়। ৰাজ্যপাল গৰাকীয়ে সীমান্তৱৰ্তী অঞ্চলৰ জীৱন-যাত্ৰাৰ মান উন্নত কৰা, জীৱিকাৰ সুযোগ সৃষ্টি আৰু সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত 'ভাইব্ৰেন্ট ভিলেজেছ প্ৰগ্ৰাম'ৰ গুৰুত্বৰ কথাও উল্লেখ কৰে। আন্তঃৰাষ্ট্ৰীয় সীমান্তত অৱস্থিত গাঁওসমূহ দেশৰ সামাজিক, সাংস্কৃতিক আৰু ৰাষ্ট্ৰীয় জীৱনৰ অবিচ্ছেদ্য অংগ বুলি উল্লেখ কৰি তেওঁ কয় যে তৃণমূল পৰ্যায়লৈ উন্নয়নৰ সুফল লৈ যাবলৈ সীমান্তৱৰ্তী গাঁওসমূহৰ উন্নয়ন অত্যন্ত গুৰুত্বপূৰ্ণ। মহিলাৰ সৱলীকৰণক গ্ৰাম্য উন্নয়নৰ অন্যতম চালিকাশক্তি হিচাপে অভিহিত কৰি ৰাজ্যপালগৰাকীয়ে আত্মসহায়ক গোটসমূহে উদ্যোগিতা বৃদ্ধি, জীৱিকাৰ সুযোগ সৃষ্টি আৰু গ্ৰাম্য অৰ্থনীতি শক্তিশালী কৰাৰ ক্ষেত্ৰত গ্ৰহণ কৰা ভূমিকাৰ শলাগ লয়। অনুষ্ঠানত পাটকিজুলি সীমান্তৱৰ্তী অঞ্চলৰ মহিলাসকলে এছএছবিৰ ৬৪ সংখ্যক বেটেলিয়নৰ উদ্যোগত পাটকিজুলি সীমা চকীত গ্ৰহণ কৰা বিউটিচিয়ান প্ৰশিক্ষণ সফলতাৰে সম্পূৰ্ণ কৰাৰ বাবে ৰাজ্যপালে তেওঁলোকক প্ৰমাণপত্ৰ প্ৰদান কৰে। ইফালে সীমান্তৱৰ্তী অঞ্চলৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এছএছবিয়ে আয়োজন কৰা 'ভাৰত দৰ্শন' কাৰ্যসূচীৰ অধীনত কলকাতালৈ যাত্ৰা কৰি বলগীয়া ছাত্ৰ-ছাত্ৰীৰ দলটোক ৰাজ্যপাল আচাৰ্যই আজি পতাকা জোকাৰি যাত্ৰাৰ শুভাৰম্ভ কৰে। ১০ৰ পৰা ১৫ অক্টোবৰলৈ অনুষ্ঠিত হ' বলগীয়া এই ভ্ৰমণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে দেশৰ সাংস্কৃতিক বৈচিত্ৰ্যৰ সৈতে পৰিচিত হোৱাৰ লগতে তেওঁলোকৰ দৃষ্টিভংগী বহল কৰাৰ আৰু ৰাষ্ট্ৰীয় সংহতিৰ ভা বনা শক্তিশালী কৰাৰ সুযোগ লাভ কৰিব। অনুষ্ঠানত এছএছবিৰ উদ্যোগত চিকিৎসা-নাগৰিক কাৰ্যসূচী আৰু 'মিলেটছ মেলা'ও অনুষ্ঠিত হয়। স্বাস্থ্য সজাগতা, সামূহিক কল্যাণ আৰু পুষ্টিকৰ খাদ্যৰ বিষয়ে জনসাধাৰণক সজাগ কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। লগতে 'নিচা মুক্ত ভাৰত অভিযান'ৰ অধীনত এখন নিচামুক্ত সমাজ গঢ়াৰ সংকল্প গ্ৰহণ কৰোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে আদৰণী ভাষণ দিয়ে। পাটকিজুলিৰ কাৰ্যসূচীৰ অন্তত ৰাজ্যপাল গৰাকীয়ে ভাৰত-ভুটান সীমান্তৰ দৰংগা সীমা চকী (BOP Darranga) পৰিদৰ্শন কৰি এছএছবিৰ জোৱানসকলৰ সৈতে মত বিনিময় কৰে আৰু তেওঁলোকৰ সৈতে 'বড়াখানা'ত অংশগ্ৰহণ কৰে। বিধায়ক ভিক্টৰ দাস, বডোলেণ্ড টেৰিটৰিয়েল কাউন্সিলৰ কাৰ্যবাহী সদস্য গনেশ কছাৰী আৰু লখী দাস, এছ এছ বিৰ মহাপৰিদৰ্শক সুধীৰ ভাৰ্মা, উপ-মহাপৰিদৰ্শক এছ এছ বি, ৰঙিয়া, মনোজ কুমাৰ, এছ এছ বিৰ উপ মহাপৰিদৰ্শক নীৰজ চান্দ, এছ এছ বি ৬৪ নং বেটেলিয়নৰ অধিনায়ক, অনুজ কুমাৰ, জিলা উপায়ুক্ত তামুলপুৰ ছিমি কৰণ; এছ এছ পি তামুলপুৰ সুমন চক্ৰৱৰ্তী; এছ এছ বিৰ বিষয়া আৰু জোৱান, পাটকিজুলি হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক; আৰু অন্যান্য বিশিষ্ট ব্যক্তি আৰু স্থানীয় বাসিন্দাসকল এই অনুষ্ঠানত উপস্থিত থাকে।

# হিমাশ্ৰী বড়োৰ মৃত্যুৰ তদন্তৰ

মৃত্যুক সাবটিবলগীয়া হোৱা প্ৰতিভাৱান শিল্পী, মেধাৱী ছাত্ৰী হিমাশ্ৰী বড়োৰ নিথৰ দেহ ৭০ ঘণ্টাৰ অন্তত মহানগৰীৰ বোন্দাৰ চপাইডাংস্থিত ঘৰলৈ অনা হয়। উল্লেখ্য যে যোৱা ৬ অক্টোবৰত বিবেক এক্সপ্ৰেছযোগে গুহামুখী হোৱাৰ সময়ত দুৰ্বৃত্তৰ দ্বাৰা হত্যাৰ বলি হৈছিল হিমাশ্ৰী বড়ো। ৰহস্যজনক ঘটনাটোক লৈ শিল্পীগৰাকীৰ পৰিয়ালবৰ্গৰ লগতে ৰাজ্যজুৰি বিভিন্ন দল-সংগঠনে তদন্তৰ দাবী কৰাৰ সময়তে শনিবাৰে বিয়লি প্ৰায় ৪ বজাত এম্বুলেঞ্চেৰে শিল্পীগৰাকীৰ নশ্বৰদেহ ঘৰলৈ অনা হয়। উল্লেখ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ শ্ৰদ্ধাঞ্জলি আঁচনিৰ অধীনত দুৰ্ভগীয়া শিল্পীগৰাকীৰ মৃতদেহ সুদূৰ অন্ধ্ৰপ্ৰদেশৰ পৰা গুৱাহাটীৰ ঘৰলৈ অনা হয়। মৃতদেহটো এম্বুলেঞ্চৰ সলনি বিমানযোগে কিয় অনা নহ'ল বুলি বিভিন্ন মহলে প্ৰশ্ন উত্থাপন কৰি থকাৰ সময়তে এই সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ শাখাৰ বিশেষ আৰক্ষী সঞ্চালক প্ৰধান হীৰেন নাথে কয় যে শিল্পীগৰাকীৰ নিথৰ দেহ বিমানেৰে অনাৰ বাবে চৰকাৰে বহু চেষ্টা কৰিছিল। এইক্ষেত্ৰত বিশেষ শাখাৰ ডিআইজি অমৃত ভূঞা আৰু এছএছপি বেদান্ত বৰা কাকতিয়ে নিৰৱচ্ছিন্নভাৱে অন্ধ্ৰপ্ৰদেশ আৰক্ষী, চিকিৎসা বিভাগৰ সৈতে সমন্বয় স্থাপন কৰি মৃতদেহটো ঘৰলৈ আনিবলৈ সক্ষম হয়। অন্ধ্ৰপ্ৰদেশৰ পৰা নিৰৱচ্ছিন্নভাৱে গুহাটীলৈ ৩৬ ঘণ্টাজুৰি যাত্ৰাৰ অন্তত এম্বুলেঞ্চখন সুকলমে আহিবলৈ সক্ষম হয়। তেওঁ কয় যে মৃতদেহটো বিমানযোগে গুৱাহাটীলৈ আনিবলৈ চৰকাৰে কেইবাটাও এজেঞ্চীৰ সৈতে আলোচনা কৰিছিল যদিও বিশাখাপট্টনমৰ পৰা প্ৰায় ৭০ কিলোমিটাৰ দূৰৈৰ ৰে'লআলিৰ সমীপত উদ্ধাৰ হোৱা মৃতদেহটোত বহু জখম থকাৰ বাবে বিমানত অনাটো সম্ভৱপৰ হৈ নুঠিল। অৱশেষত পৰিয়ালৰ সৈতে আলোচনা কৰি চৰকাৰে মৃতদেহটো এম্বুলেঞ্চত আনিবলৈ সক্ষম হয়। সম্পূৰ্ণ মৰ্যাদাসহকাৰে হিমাশ্ৰী বড়োৰ নশ্বৰদেহ পৰিয়ালবৰ্গক চমজাই দিয়ে অসম আৰক্ষীৰ বিশেষ শাখাই। ইপিনে যুৱতীগৰাকীৰ নশ্বৰদেহ চপাইডাঙৰ নিজ গৃহ আহি পোৱাৰ পিছতে সমগ্ৰ অঞ্চলটোত এক শোকাকুল পৰিস্থিতিৰ সৃষ্টি হয়। গুৱাহাটী মহানগৰীত মৃতদেহ কঢ়িয়াই অনা এম্বুলেঞ্চখন প্ৰৱেশৰ লগে লগে মহানগৰ আৰক্ষীয়ে এক বৃহৎ কনভয়ৰ জৰিয়তে হিমাশ্ৰীৰ পৰিয়ালবৰ্গৰ গৃহলৈ নিয়ে। অগণন স্থানীয় লোকে অশ্ৰুসিক্ত নয়নেৰে সমদল কৰি মৰমৰ হিমাশ্ৰীৰ নশ্বৰদেহ কঢ়িওৱা এম্বুলেঞ্চখনক আগবঢ়াই নিয়াৰ লগতে এই ঘটনাৰ উপযুক্ত তদন্তৰ দাবী তোলে। পৰিয়াল আৰু আত্মীয়-স্বজনে হিমাশ্ৰীক শেষ বিদায় জনায়। পৰিয়ালবৰ্গৰ লগতে বিভিন্ন দল-সংগঠনে শেষ শ্ৰদ্ধা জ্ঞাপন কৰাৰ পাছতে সহস্ৰাধিক লোকৰ উপস্থিতিত ৰাজহুৱা শ্মশানত বড়ো জনগোষ্ঠীৰ পৰম্পৰাগত ৰীতি-নীতিৰে শেষকৃত্য সম্পন্ন কৰা হয় নৃত্যশিল্পী হিমাশ্ৰী বড়োৰ নশ্বৰদেহ।

# ভাৰতীয় বংশোদ্ভৱক ন'বেল প্ৰদানত অসন্তুষ্টি প্ৰকাশ ট্ৰাম্পৰ



ৰঙিলী বাৰ্ত্তাসেৱা- ২০২৬ চনৰ নোবেল শান্তি বঁটা দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় বংশোদ্ভূত জুৰিষ্ট তথা ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ উচ্চায়ুক্ত নাভি পিল্লাইক প্ৰদান কৰাৰ পিছতে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে তীব্ৰ অসন্তুষ্টি প্ৰকাশ কৰিছে। ট্ৰাম্পে এই সিদ্ধান্তক "লজ্জাজনক আৰু অপমানজনক" বুলি অভিহিত কৰি ন'বেৰ নোবেল কমিটীক তীব্ৰ সমালোচনা কৰে। ট্ৰাম্পে বঁটা বিজয়ী নাভি পিল্লাইক এগৰাকী "ৰহস্যময় ব্যক্তি" বুলি অভিহিত কৰে আৰু কয় যে তেওঁ কেতিয়াও পিল্লাইৰ নাম শুনা নাছিল। ট্ৰাম্পৰ মতে, তেওঁ নিজেই এই বঁটা পোৱাৰ আটাইতকৈ যোগ্য আছিল। ভাৰত-পাকিস্তান সংঘাতকে ধৰি বিশ্বৰ প্ৰায় ৮ খন যুদ্ধ বা কন্দল তেওঁ প্ৰতিহত কৰিছিল বুলি দাবী কৰে। তেওঁৰ মতে, ভাৰত আৰু পাকিস্তানৰ মাজত যুদ্ধ ৰোধ কৰি তেওঁ ৫০ নিযুত লোকৰ জীৱন ৰক্ষা কৰিছিল। ট্ৰাম্পে কয় যে এমুঠি "উগ্ৰ মতাদৰ্শবাদী" বা সমাজবিৰোধী লোকৰ বাবে নোবেল শান্তি বঁটাৰ মৰ্যাদা চিৰদিনৰ বাবে ম্লান হৈ পৰিল। তেওঁ লগতে নৰৱেক উদ্দেশ্যি এক প্ৰকাৰৰ সকীয়নি দি কয়, "আমি নৰৱেক পাহৰি নাযাওঁ"। উল্লেখ্য যে, নাভি পিল্লাইক মানৱাধিকাৰ ৰক্ষা আৰু আন্তঃৰাষ্ট্ৰীয় আইনৰ প্ৰসাৰৰ ক্ষেত্ৰত আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে ২০২৬ চনৰ নোবেল শান্তি বঁটাৰ বাবে নিৰ্বাচিত কৰা হৈছে।

# মমতা-কেজৰিৱালসহ শীৰ্ষ বিৰোধী নেতাক আটক দিল্লী আৰক্ষীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মুখ্য নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত নতুন দিল্লীৰ যন্তৰ-মন্তৰত প্ৰতিবাদ সাব্যস্ত কৰিবলৈ যোৱাৰ সময়তে দিল্লী আৰক্ষীয়ে পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জী আৰু অৰবিন্দ কেজৰিৱালকে ধৰি কেইবাজনো শীৰ্ষ বিৰোধী নেতাক আটক কৰে। মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগ আৰু ভোটাৰ তালিকাৰ বিশেষ ব্যাপক পুনৰীক্ষণ (এছআইআৰ)কে ধৰি নিৰ্বাচনী ( তিনিপৃষ্ঠাত চাওক)

# হাজোত বাইক দুৰ্ঘটনাত থিতাতে দুই যুৱক নিহত



ৰঙিলী বাৰ্ত্তাসেৱা- হাজোত সংঘটিত এক পথ দুৰ্ঘটনাত থিতাতে দুজন বাইক আৰোহী নিহত হৈছে। ঘটনাৰ বিৱৰণী অনুসৰি, তেওঁলোক হাজোৰ কৈৱৰ্ত্তটোলাত আত্মীয়ৰ ঘৰত নিশাৰ আহাৰ গ্ৰহণ কৰি মটৰচাইকেলেৰে গুৱাহাটী অভিমুখে গৈ আছিল। সেই সময়তে এখন তীব্ৰবেগী অচিনাক্ত বাহনে তেওঁলোকৰ বাইকখনক প্ৰচণ্ড খুন্দা মাৰি ঘটনাস্থলীৰ পৰা পলায়ন কৰে। থিতাতে নিহত দুই বাইক আৰোহী ক্ৰমে হাজো-শিঙিমাৰীৰ জয়ন্ত বৰ্মন আৰু গোৰেশ্বৰৰ বিকি বড়ো বুলি জানিব পৰা গৈছে। প্ৰাপ্ত খবৰ অনুসৰি, জয়ন্ত বৰ্মন আৰু বিকি বড়োৱে হাজোৰ কৈৱৰ্তটোলাৰ আত্মীয়ৰ ঘৰৰ পৰা ( তিনিপৃষ্ঠাত চাওক)

# নগাঁৱত বিজেপি প্ৰাৰ্থী দেৱাশীষ শৰ্মাৰ বৃহৎ জয়



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ল । নগাঁও লোক সভা সমষ্টিৰ উপ-নিৰ্বাচনত এক ঐতিহাসিক জয়ৰ চমক দেখুৱালে গেৰুৱা দল বিজেপিয়ে। সমষ্টি পুনৰ গঠনৰ পাছত সংখ্যালঘু ভোটাৰৰ অভিকেন্দ্ৰ হৈ পৰা সাংসদীয় সমষ্টিটোত বিজেপি দলে বৃহৎ ব্যৱধানত বিৰোধীক একপ্ৰকাৰ ধৰাশায়ী কৰি বিজয়ৰ ইতিহাস গঢ়ে। সমষ্টিটোৰ আটাইকেইটা বিধানসভা সমষ্টিতে সংখ্যালঘু ভোটাৰৰ সমৰ্থন লাভ কৰি বিজেপি তথা এনডিএ প্ৰাৰ্থী দেৱাশিস শৰ্মাই ১ লাখ ৪২ হাজাৰ ভোটৰ ব্যৱধানত বৃহৎ জয়লাভ সাব্যস্ত কৰে। দেৱাশিস শৰ্মাই তেওঁৰ নিকটতম প্ৰতিদ্বন্দ্বী এআইইউডিএফৰ প্ৰাৰ্থী দলটোৰ মুৰব্বী বদৰুদ্দিন আজমলক ১, ৪১, ৯১৬টা ভোটৰ ব্যৱধানত পৰাভূত কৰে। নিৰ্বাচনী ফলাফল অনুসৰি বিজেপি তথা এনডিএৰ প্ৰাৰ্থী দেৱাশিস শৰ্মাই ৭, ১৩, ৬২২টা ভোট লাভ কৰাৰ বিপৰীতে বদৰুদ্দিন আজমলে ৫, ৭১, ৭০৬টা ভোট লাভ কৰে। নিৰ্বাচনী ফলাফলত বিৰোধী কংগ্ৰেছৰ শিৰামণি বৰাই মাত্ৰ ১, ২৯, ৩৬৩টা ভোট লাভ কৰে। ইয়াৰ লগে লগে এসময়ৰ কংগ্ৰেছৰ দুৰ্গ নগাঁৱত দৰ্পচূৰ্ণ হ'ল প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈ আৰু সমষ্টিটোৰ অন্তৰ্গত চামগুৰি বিধানসভা সমষ্টিৰ ৫ বাৰৰ বিধায়ক তথা প্ৰাক্তন মন্ত্ৰী ৰকিবুল হুছেইনৰ। নিৰ্বাচনৰ ফলাফল অনুসৰি বিজয়ী দেৱাশিস শৰ্মাই ভোটদান হোৱা মুঠ ভোটৰ ৪৯.১১ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে বদৰুদ্দিন আজমলে লাভ কৰে ৩৯.৩৪ শতাংশ ভোট। আনহাতে কংগ্ৰেছৰ শিৰামণি বৰাই লাভ কৰে মাত্ৰ ৮.৯ শতাংশ ভোট। শুকুৰবাৰে ভোটগণনা আৰম্ভ হোৱাৰ পৰাই ভোটগণনা কেন্দ্ৰত প্ৰতিটো ৰাউণ্ডতে বিজেপি প্ৰাৰ্থীগৰাকী আন দুগৰাকী নিকটতম প্ৰাৰ্থী দুগৰাকীতকৈ আগুৱাই থাকে। পোষ্টেল ভোটৰ ভোটগণনাতো বিজেপি প্ৰাৰ্থীগৰাকীয়ে আগবাঢ়ি থাকে আৰু মুঠ পোষ্টেল ভোটৰ ৫১১৫টা ভোটৰ ভিতৰত বিজেপি প্ৰাৰ্থীগৰাকীয়ে ৩ হাজাৰ পোষ্টেল ভোট লাভ কৰে। উল্লেখ্য যে নগাঁও উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা শিৰামণি বৰাই সমষ্টিটোত কংগ্ৰেছৰ সংখ্যালঘু ভোটাৰৰ মাজত ব্যাপক জনসমৰ্থন তথা লাহৰীঘাট, চামগুৰি, ৰূপহীহাট, ধিং আদি সমষ্টিত বিৰোধী কংগ্ৰেছ আৰু ৰাইজৰ দলৰ বিধায়ক থকাৰ পিছতো শোচনীয় পৰাজয়ৰ মুখ দেখা ঘটনাই ৰাজ্যৰ ৰাজনীতিত বিশেষ তাৎপৰ্য বহন কৰিছে। বিগত ১০টা বছৰ কংগ্ৰেছৰ দখলত থকা সমষ্টিটোত এইবাৰ সংখ্যালঘু ভোটাৰৰ লগতে সকলো শ্ৰেণীৰ ভোটাৰেই শাসকীয় দলৰ উন্নয়ন আৰু বিকাশৰ স্বাৰ্থতে কংগ্ৰেছক প্ৰত্যাখ্যান কৰাটো *(দহ পৃষ্ঠাত চাওক)*

# জুবিন হত্যাৰ অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন মঞ্জুৰ



ৰঙিলী বাৰ্ত্তাসেৱা- শুকুৰবাৰে জামিন লাভ কৰিলে প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ হত্যাৰ অন্যতম অভিযুক্ত অমৃতপ্ৰভা মহন্তই। গুৱাহাটী উচ্চন্যায়ালয়ৰ ন্যায়াধীশ প্ৰাঞ্জল দাসৰ বিচাৰপীঠে জুবিন হত্যাৰ গোচৰত অভিযুক্ত অমৃতপ্ৰভা মহন্তৰ জামিন মঞ্জুৰ কৰে। আদালতে দীৰ্ঘদিনীয়া শুনানিৰ অন্তত ৫০ হাজাৰ টকাৰ বণ্ডৰ বিনিময়ত অমৃতপ্ৰভাৰ জামিন মঞ্জুৰ কৰাৰ লগে লগে মুকলি আকাশৰ তললৈ অহা বাট প্ৰশস্ত হ'ল জুবিন হত্যাকাণ্ডৰ অন্যতম অভিযুক্তজনৰ। উল্লেখ্য যে প্ৰায় এসপ্তাহ ধৰি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ প্ৰাঞ্জল দাসৰ আদালতত চলিছিল অমৃতপ্ৰভা মহন্তৰ জামিনৰ শুনানি। যোৱা ৬ অক্টোবৰত শুনানি অন্ত পৰাৰ পাছত আদালতে ৰায় সংৰক্ষিত কৰি ৰাখিছিল। শুকুৰবাৰে বিয়লি ৪.৩০ বজাত আদালতে জামিন মঞ্জুৰ কৰে। উল্লেখ্য যে শিল্পীগৰাকীৰ মৃত্যুৰ পাছত ৰাজ্য চৰকাৰে গঠন কৰি দিয়া বিশেষ *(চাৰি পৃষ্ঠাত চাওক)*

# নাভানেথেম নাভি পিল্লাইলৈ শান্তিৰ নোবেল বঁটা



ৰঙিলী বাৰ্ত্তাসেৱা- ঘোষণা কৰা হ'ল ২০২৬ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা। দক্ষিণ আফ্ৰিকাৰ ভাৰতীয় বংশোদ্ভৱ আইনজীৱী নৱনেথেম 'নৱি' পিল্লাইয়ে লাভ কৰিলে ২০২৬ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা। নৰৱে'ৰ ন'বেল কমিটীয়ে শুকুৰবাৰে জনোৱা মতে আন্তঃৰাষ্ট্ৰীয় আইন প্ৰতিষ্ঠা আৰু বিশ্ব শান্তিৰ প্ৰসাৰৰ ক্ষেত্ৰত অৱদানৰ স্বীকৃতিস্বৰূপে তেওঁক শান্তিৰ ন'বেল বঁটাৰ বাবে বাছনি কৰা হৈছে। উল্লেখ্য যে, যুদ্ধাপৰাধ, মানৱতাবিৰোধী অপৰাধ আৰু গণহত্যাৰ বিচাৰ নিশ্চিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল নাটাল প্ৰদেশৰ ডাৰবান চহৰৰ বাসিন্দা ৮৫ বছৰ বয়সীয়া পিল্লাইয়ে। বৰ্ণবিদ্বেষৰ পৰিৱেশত আফ্ৰিকাৰ ডাৰবানত ভাৰতীয় তামিল পৰিয়াল এটাত তেওঁৰ জন্ম। আইনজীৱী হিচাপে কৰ্মজীৱনৰ পাতনি মেলি বৈষম্য আৰু বৰ্ণবিদ্বেষৰ বিৰুদ্ধে যুঁজ দিয়ে তেওঁ। তেওঁ বৰ্ণবিদ্বেষবিৰোধী স্বাধীনতা আন্দোলনৰ কিংবদন্তি নেতা তথা দেশখনৰ প্ৰয়াত প্ৰাক্তন ৰাষ্ট্ৰপতি নেলছন মেণ্ডেলাৰ আইনজীৱী ভূমিকাও পালন কৰে। বৰ্ণবিদ্বেষৰ বিৰুদ্ধে *(দহ পৃষ্ঠাত চাওক)*

# মমতা-কেজৰিৱালসহ শীৰ্ষ

প্ৰক্ৰিয়াত অনিয়মৰ অভিযোগ তুলি প্ৰতিবাদ সাব্যস্ত কৰিবলৈ ওলাই অহা পশ্চিমবংগৰ প্ৰাক্তন মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক নতুন দিল্লীৰ ছাউথ এভিনিউৰ বাসগৃহৰ সন্মুখত আৰক্ষীয়ে আটক কৰে। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতাৰ সৈতে তৃণমূলৰ সাংসদ ডেৰেক অব্ৰায়ন, ডোলা ফেন আৰু আনকেইগৰাকী সদস্যক আটক কৰে। কেজৰিৱালক প্ৰতিবাদস্থলীলৈ যোৱাৰ পথতে আটক কৰে আৰক্ষীয়ে। চিপিএমৰ সকলো কেন্দ্ৰীয় নেতাই বিক্ষোভ কাৰ্যসূচীত অংশগ্ৰহণৰ বাবে দিল্লীত উপস্থিত হৈছিল। সেই সময়তে তেওঁলোকক আটক কৰি ৰাজধানী চহৰখনৰ বিভিন্ন স্থানলৈ এখন কয়দী নিয়া বাহনত উঠাই ঘূৰাই ফুৰা বুলি অভিযোগ উত্থাপন কৰে নেতাসকলে। কেৰালাৰ প্ৰাক্তন মুখ্যমন্ত্ৰী বিজয়নে এন ডি এ চৰকাৰে ৰাজধানী দিল্লীক এখন মুকলি কাৰাগাৰলৈ ৰূপান্তৰিত কৰা বুলি অভিযোগ কৰে। তেওঁ সশস্ত্ৰ আৰক্ষী আৰু অৰ্ধসামৰিক বাহিনী মোতায়েন কৰি প্ৰতিবাদ দমনৰ চেষ্টা চলায় বুলিও সৰৱ হোৱা দেখা যায়। চৰকাৰে গ্ৰেপ্তাৰৰ ভয় দেখুৱাই আন্দোলন স্তব্ধ কৰাব নোৱাৰে আৰু সংবিধান তথা ভোটাধিকাৰ ৰক্ষাৰ সংগ্ৰাম অধিক তীব্ৰতৰ কৰাৰ হুংকাৰ দি সমগ্ৰ দেশতে প্ৰতিবাদ সাব্যস্ত কৰাৰ সকীয়নি দিয়ে।

# হিমাশ্ৰী বড়োৰ মৃত্যুৰ তদন্ত বিচাৰি ৰে'লমন্ত্ৰী-অন্ধ্ৰৰ মুখ্যমন্ত্ৰীলৈ পত্ৰ প্ৰেৰণ মুখ্যমন্ত্ৰী ড° শৰ্মাৰ



ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰী গুৱাহাটীৰ চপাইদঙৰ বিশ বছৰীয়া যুৱতী হিমাশ্ৰী বড়োৰ অন্ধ্ৰপ্ৰদেশত হোৱা ৰহস্যজনক মৃত্যুত সৰ্বত্ৰে প্ৰতিবাদ সাব্যস্ত হৈছে। এই শোকাৱহ ঘটনাক লৈ গভীৰ মৰ্মবেদনা প্ৰকাশ কৰাৰ লগতে ন্যায় নিশ্চিত কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। ঘটনাটোৰ এক নিৰপেক্ষ, বিস্তৃত আৰু সময়সীমাবদ্ধ তদন্তৰ দাবী জনাই মুখ্যমন্ত্ৰীগৰাকীয়ে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুলৈ পৃথকে পৃথকে পত্ৰ প্ৰেৰণ কৰে। একে সময়তে, অন্ধ্ৰপ্ৰদেশৰ সংশ্লিষ্ট আইন-শৃংখলা বাহিনীৰ সৈতে ঘনিষ্ঠ সমন্বয় স্থাপন কৰি তদন্তৰ অগ্ৰগতি ত্বৰান্বিত কৰাৰ উদ্দেশ্যে অসম আৰক্ষীৰ এগৰাকী জ্যেষ্ঠ বিষয়াক নিয়োগ কৰিছে ৰাজ্য চৰকাৰে। সামাজিক মাধ্যমযোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই শোকসন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰি কয় যে অসমৰ জনসাধাৰণ দেশৰ যিকোনো প্ৰান্ততে *( নপৃষ্ঠাত চাওক)*

# হাজোত বাইক দুৰ্ঘটনাত

নিশা প্ৰায় দুই বজাত হাজো- গুৱাহাটী পথেৰে ৰাওনা হৈছিল। দুই বাইক আৰোহী হাজো থানাৰ পতনি পোৱা মাত্ৰেই কোনো অচিনাক্ত বাহনে খুন্দিয়াই পলায়ন কৰে আৰু দুই বাইক আৰোহীৰ থিতাতে মৃত্যু হয়। ঘটনাস্থলীতে দুয়োৰে মৃত্যু হয় আৰু আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি হাজো বিষ্ণুৰাম মেধি সামূহিক চিকিৎসালয়লৈ লৈ যায়। আৰক্ষীয়ে ঘটনাৰ তদন্ত আৰম্ভ কৰিছে।

# হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু অভিনেতা নানা পাটেকাৰৰ



ৰঙিলী বাৰ্ত্তাসেৱা- জীৱন নাট সামৰি পৰলোকলৈ গমন কৰিলে ভাৰতীয় বিনোদন জগতৰ অন্যতম শক্তিশালী অভিনেতা নানা পাটেকাৰে। বলীউডৰ প্ৰবীণ অভিনেতা নানা পাটেকাৰৰ বৃহস্পতিবাৰে পুৱা ৭৫ বছৰ বয়সত দেহাৱসান ঘটে। প্ৰাথমিকভাৱে জানিব পৰা মতে, বৃহস্পতিবাৰে পুৱতিনিশা নিজৰ বাসগৃহতে হৃদৰোগত আক্ৰান্ত হৈ হঠাৎ সংজ্ঞা হেৰুৱাই পেলায় তেওঁ। বুকুৰ বিষ অনুভৱ কৰাৰ পিছত সংজ্ঞা হেৰুৱাই পেলোৱা বৰ্ষীয়ান অভিনেতাগৰাকীক পুৱা পাঁচ বজাত ততাতৈয়াকৈ গোৱাৰ মণিপাল হাস্পতালত ভৰ্তি কৰোৱা হয়। ৪৫ মিনিট সময় ধৰি চিপিআৰ দি তেওঁক বচোৱাৰ শেষ চেষ্টা কৰিছিল চিকিৎসকসকলে। কিন্তু তেওঁলোকৰ চেষ্টা ব্যৰ্থ হয়। ডোনা প'লাৰ এপাৰ্টমেন্টত তেওঁক অচেতন অবস্থাত পোৱাৰ পাছত এখন ব্যক্তিগত চিকিৎসালয়লৈ লৈ যোৱা হৈছিল। ৪৫ মিনিট তেওঁক চি পি আৰ (কাৰ্ডিঅ'পুলমনাৰী বিচাচিটেশ্যন) দিয়াৰ পাছতো পাটকাৰে আৰোগ্য লাভ নকৰে আৰু পুৱা ৫-২০ বজাত তেওঁক মৃত ঘোষণা কৰা হয়। চিকিৎসালয়খনৰ মতে, তেওঁৰ মৃত্যুৰ সন্দৰ্ভত এক 'মেডিক লীগেল' গোচৰ পঞ্জীয়ন কৰা হয়। পাটেকাৰৰ এজন বন্ধুৱে চিকিৎসালয়খনৰ চিকিৎসকক জনোৱা মতে, অভিনেতাজনে পুৱতি নিশা ৩-৩০ মান বজাত, তেওঁ অসুস্থ অনুভৱ কৰা বুলি এটা মেছেজ পঠাইছিল। বন্ধুজনে ৪ মান বজাত মেছেজটো দেখে আৰু খৰখেদাকৈ পাটেকাৰৰ এপাৰ্টমেন্টলৈ যায়। এপাৰ্টমেন্টত পাটেকাৰ এজন কেয়াৰটেকাৰৰ সৈতে থাকে। কেয়াৰটেকাৰজন এখন ব্যক্তিগত চিকিৎসালয়ে যায়, আৰু পাটেকাৰৰ এপাৰ্টমেন্টলৈ চিকিৎসালয়খনে এখন এম্বুলেন্স পঠিয়াই দিয়ে। জনপ্ৰিয় অভিনেতাগৰাকীৰ মৃত্যুত শোকস্তব্ধ হৈ পৰে অনুৰাগীসকল। নানা পাটেকাৰৰ জন্ম হৈছিল ১৯৫১ চনৰ পহিলা জানুৱাৰীত মহাৰাষ্ট্ৰত। নানাৰ আচল নাম আছিল বিশ্বনাথ পাটেকাৰ। কিন্তু অভিনয় জীৱনত তেওঁ নানা নামেৰেই জনপ্ৰিয় হৈ পৰে। ১৯৭৮ চনত নীলকান্তি পাটেকাৰক বিয়া কৰায় তেওঁ। বেংকত চাকৰি কৰা নীলকান্তিয়ে পূৰ্বে থিয়েটাৰৰ সৈতেও জড়িত আছিল। সেই সময়তে তেওঁৰ সৈতে পৰিচয় নানাৰ। পিছত বিয়া। নানাৰ অভিনয় জীৱনৰ আৰম্ভণিৰ সময়ছোৱাত নীলকান্তি তেওঁৰ সৈতেই আছিল যদিও পিছলৈ সময়ৰ লগে লগে তেওঁলোকৰ মাজত দূৰত্বৰ সৃষ্টি হয়। বহুবছৰ ধৰি বেলেগ হৈ থাকিলেও তেওঁলোকৰ বিবাহ বিচ্ছেদ হোৱা নাই। বিয়াৰ পিছত তেওঁলোকৰ প্ৰথম পুত্ৰ সন্তান দুৰ্বাসাৰ জন্ম হয়। বিভিন্ন শাৰীৰিক সমস্যাত ভুগি থকা দুৰ্বাসাৰ মাত্ৰ আঢ়ৈ বছৰ বয়সতে মৃত্যু হয়। পুত্ৰ শোকত ভাগি পাৰে নানা। তেওঁৰ দ্বিতীয় পুত্ৰ মালহাৰ পাটেকাৰে পিতৃৰ মৃত্যুৰ খবৰ সংবাদ মাধ্যমত নিশ্চিত কৰে।

# পলাশবাৰীত অবৈধ বিলাতী সুৰা আৰু চুলাই মদৰ ৰমৰমীয়া বেহা





ৰঙিলী বাৰ্ত্তাসেৱা- পলাশবাৰী সমষ্টিৰ চুকে-কোণে এতিয়া অবৈধ বিলাতী সুৰা আৰু চুলাই মদৰ ৰমৰমীয়া বেহাই চৰম ৰূপ ধাৰণ কৰিছে। অঞ্চলটোত কাঠফুলাৰ দৰে গঢ়ি উঠা অবৈধ সুৰা ব্যৱসায়ীসকলে সমগ্ৰ অঞ্চলটোৰ সামাজিক পৰিৱেশ বিনষ্ট কৰাৰ লগতে নৱপ্ৰজন্মক এক ভয়ংকৰ ধ্বংসৰ গঢ়লৈ ঠেলি দিছে। বিশেষকৈ পলাশবাৰীৰ বৰিহাট অঞ্চলত দুই পিতা-পুত্ৰ ক্ৰমে নাৰায়ণ দাস আৰু প্ৰজ্ঞান দাসে চলাইছে চৰম সন্ত্ৰাস। এই দুই কুখ্যাত ব্যৱসায়ীৰ অবৈধ বিলাতী সুৰা আৰু চুলাই মদৰ অবাধ বেহাৰ বাবে বৰিহাট আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহৰ শান্তিপূৰ্ণ পৰিৱেশ এতিয়া সম্পূৰ্ণৰূপে বিনষ্ট হৈ পৰিছে। অনুৰূপ ধৰণে, ৰামপুৰৰ বাতু নামৰ আন এজন কুখ্যাত অবৈধ সুৰা বেপাৰীয়েও সমগ্ৰ অঞ্চলটোত বিদেশী আৰু চুলাই মদৰ এক বৃহৎ নেটৱৰ্ক গঢ়ি তুলিছে। উল্লেখ্য যে, যোৱা কিছুদিন পূৰ্বে আৰক্ষী আৰু আবকাৰী বিভাগে এক যৌথ অভিযান চলাই পিতা-পুত্ৰ নাৰায়ণ দাস, প্ৰজ্ঞান দাস আৰু ৰামপুৰৰ বাতু নামৰ এই কুখ্যাত সুৰা বেপাৰীকেইজনক কৰায়ত্ব কৰিছিল। অভিযানকাৰী দলে তেওঁলোকৰ জিম্মাৰ পৰা বুজন পৰিমাণৰ অবৈধ বিলাতী সুৰা আৰু চুলাই মদ জব্দ কৰিবলৈকো সক্ষম হৈছিল। কিন্তু অতি পৰিতাপৰ বিষয় যে, ইমানৰ পিছতো এই অপৰাধীচক্ৰটোৰ অলপো ভয়-শংকা নাই।

( নপৃষ্ঠাত চাওক)

# ঘোষণা হ'ল মেট্ৰিক পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ দিন

ৰঙিলী বাৰ্ত্তাসেৱা- আগন্তুক ২০২৭ বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰ-পত্ৰ পূৰণৰ দিন ঘোষণা কৰিছে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদ, চমুকৈ এছেব-এ। এক নিৰ্দেশনাযোগে পৰিষদে অহা ১২ অক্টোবৰৰ পৰা ১০ নৱেম্বৰলৈ মেট্ৰিক পৰীক্ষাৰ অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময় নিৰ্ধাৰণ কৰিছে। এছেবৰ নিৰ্দেশনা অনুসৰি ছাত্ৰ-ছাত্ৰীয়ে অহা ৰচ নৱেম্বৰৰ ভিতৰত অনলাইন পেমেন্টসমূহ দিব লাগিব। চালানযোগে ধন প্ৰদান কৰিবলৈ হ'লে ১৬ নৱেম্বৰ অন্তিম সীমা নিৰ্ধাৰণ কৰিছে পৰিষদে। আনহাতে অনলাইন প্ৰ-পত্ৰ পূৰণৰ সময়ত যদিহে নথি-পত্ৰসমূহত কিবা ভুল থাকে, তেন্তে অহা ১৯ নৱেম্বৰলৈ শুদ্ধ তথ্য আপলোড কৰিব পাৰিব শিক্ষাৰ্থীয়ে। অৱশ্যে মাচুল প্ৰদানৰ ক্ষেত্ৰত এছবিআইৰ অনলাইন অথবা এছবিআই চালানৰ মাধ্যমতহে ধন দিব পাৰিব। ইয়াৰ বাদেও আগন্তুক পৰীক্ষাক লৈ পৰিষদে মাচুলসমূহো নিৰ্ধাৰণ কৰিছে। এই অনুসৰি প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবদ ৭০০ টকা পৰীক্ষা মাচুল হোৱাৰ লগতে প্ৰযোজ্য হোৱা ব্যৱহাৰিক পৰীক্ষাসমূহৰ বাবে ১৫০ টকা মাচুল আদায় দিব লাগিব। অৱশ্যে চৰকাৰী অথবা ঘাটি মঞ্জুৰিপ্ৰাপ্ত

# ডিব্ৰুগড়ৰ সাহসী বনকৰ্মী জিতু হাজৰিকাক বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাৰ বিশেষ সম্বৰ্দ্ধনা



ৰঙিলী বাৰ্ত্তাসেৱা- ডিব্ৰুগড় মহানগৰ তথা ইয়াৰ উপকণ্ঠ অঞ্চলসমূহত সৰ্প আতঙ্কই দেখা দিলেই যিগৰাকী ব্যক্তিৰ মুখখন প্ৰথমেই মনলৈ আহে- তেওঁৱেই হৈছে ডিব্ৰুগড় বনাঞ্চলিক কাৰ্যালয়ৰ দক্ষ তথা সাহসী বনকৰ্মী জিতু হাজৰিকা। মোহনাঘাটৰ এইগৰাকী নিষ্ঠাবান কৰ্মীয়ে নিজৰ প্ৰাণকো তুচ্ছ জ্ঞান কৰি মানুহ আৰু বন্যপ্ৰাণী-দুয়োৰে সুৰক্ষা সুনিশ্চিত কৰি আহিছে। কৰ্তব্যৰ উপৰি এক সংস্কাৰঃ যেতিয়াই কোনো লোকৰ গৃহ বা চৌহদত সাপ ওলায়, খবৰ পোৱাৰ মুহূৰ্ততে ঘটনাস্থলীত উপস্থিত হয় জিতু হাজৰিকা। সাপক অকণো আঘাত নকৰাকৈ সুৰক্ষিতভাৱে উদ্ধাৰ কৰি তেওঁ পৰৱৰ্তী সময়ত গৈ উপযুক্ত প্ৰাকৃতিক পৰিৱেশত বনাঞ্চলত মুকলি কৰি দিয়ে। "সাপ দেখিলে আতংকিত নহ'ব, তাক হত্যা নকৰি প্ৰশিক্ষিত উদ্ধাৰকাৰী বা বন বিভাগক খবৰ দিয়ক"- এই বাৰ্তাৰে তেওঁ নিৰন্তৰভাৱে ৰাইজৰ মাজত সচেতনতা বৃদ্ধি কৰি আহিছে। পৰিৱেশ

( নপৃষ্ঠাত চাওক)

# জুবিন হত্যাৰ অন্যতম

তদন্তকাৰী গোট চমুকৈ এছআইটিয়ে জেৰাৰ অন্তত ২০২৫ বৰ্ষৰ ২ অক্টোবৰত গ্ৰেপ্তাৰ কৰিছিল অমৃতপ্ৰভা মহন্তক। কেইবাদিনো জেৰাৰ অন্তত হাফলং উপ-কাৰাগাৰলৈ প্ৰেৰণ কৰা হৈছিল। তেতিয়াৰে পৰা প্ৰায় এবছৰ ধৰি কাৰাবন্দীৰ জীৱন যাপন কৰা অমৃতপ্ৰভা মহন্তই গুৱাহাটী উচ্চন্যায়ালয়ৰ লগতে ফাষ্টট্ৰেক আদালতত জামিন বিচাৰি কেইবাবাৰো মুখথেকেচা খাবলগীয়া হৈছিল। শুকুৰবাৰে আদালতে অমৃতপ্ৰভা মহন্তৰ জামিন মঞ্জুৰ কৰাৰ পাছতে চৰকাৰী লোক অধিবক্তা জিয়াউল কামাৰে কয় যে যথেষ্ট দীঘলীয়া শুনানি আদালতে গ্ৰহণ কৰিছিল। আমাৰ ফালৰ পৰা কেইবাদিনো ধৰি আদালতত যুক্তি প্ৰদৰ্শন কৰা হৈছিল। আমি যিখিনি পাৰোঁ, কষ্ট কৰিছোঁ। কি কাৰণত আদালতে অমৃতপ্ৰভাৰ জামিন মঞ্জুৰ কৰিলে সেয়া জানিব পৰা হোৱা নাই। অৱশ্যে জামিন মঞ্জুৰ হ'লেও জামিননামাখন ট্ৰায়েল ক'ৰ্টত অমৃতপ্ৰভা মহন্তৰ হৈ পৰিয়াল তথা অধিবক্তাই দাখিল কৰিব লাগিব। ট্ৰায়েল ক'ৰ্টে সেইখন গ্ৰহণ কৰাৰ পাছতহে মুকলি আকাশৰ তললৈ অহাৰ বাট প্ৰশস্ত হ'ব অমৃতপ্ৰভা মহন্তৰ। এই সন্দৰ্ভত পৰৱৰ্তী সময়ত চৰকাৰলৈ প্ৰতিবেদন প্ৰেৰণ কৰা হ'ব বুলিও চৰকাৰী লোক অধিবক্তা জিয়াউল কামাৰে লগতে কয়।

# ‘উন্নত ভাৰত সংকল্প সভা’ সম্বোধন প্ৰধানমন্ত্ৰী মোদীৰ



ৰঙিলী বাৰ্ত্তাসেৱা- চৰকাৰৰ মুৰব্বী হিচাপে ধাৰাবাহিকভাৱে ২৫ বছৰ কাৰ্যনিৰ্বাহ কৰাৰ উপলক্ষত নতুন লক্ষ্য নিৰ্ধাৰণ কৰিছে প্ৰধানমন্ত্ৰী মোদীয়ে। এই উপলক্ষে দিল্লীত আয়োজিত এটা অনুষ্ঠানত বক্তব্য আগবঢ়াই আগন্তুক দিনৰ ভাৰতৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিলে প্ৰধানমন্ত্ৰীয়ে। এই সন্দৰ্ভত তেওঁ জনায়- ‘২০৪৭ চনৰ ভিতৰত ভাৰত এখন উন্নত ৰাষ্ট্ৰত পৰিণত হ’ব। আত্মনিৰ্ভৰ ভাৰতৰ লক্ষ্যত আমি উপনীত হ’মেই।’ আত্মবিশ্বাসৰ সৈতে তেওঁ শ্লোগান দিয়ে ‘উই উইল ডু ইট।’ অৰ্থাৎ ‘আমি সেয়া কৰি দেখুৱামেই।’ তেওঁৰ ভাষণত প্ৰকট হয় বিকশিত ভাৰত, মহাকাশ গৱেষণা, প্ৰতিৰক্ষা আৰু মেনুফেকচাৰিং ক্ষেত্ৰসমূহ। বুধবাৰে ‘উন্নত ভাৰত সংকল্প সভা’ত বক্তব্য প্ৰদান কৰিবলৈ গৈ প্ৰধানমন্ত্ৰী মোদীয়ে কয়-‘২০০১ চনৰ ৭ অক্টোবৰত আমি

# আন্তঃৰাষ্ট্ৰীয় ফুটবলক বিদায় লিঅ’নেল মেছিৰ



ৰঙিলী বাৰ্ত্তাসেৱা- আৰ্জেন্টিনাৰ হৈ লিঅ’নেল মেছিৰ অন্তিমখন মেচ। মঙলবাৰে বুয়েনছ আয়াৰ্ছত প্ৰাক্তন বিশ্ব চেম্পিয়ন আৰ্জেন্টিনাৰ হৈ অন্তিমবাৰৰ বাবে ৰাষ্ট্ৰীয় দলৰ জাৰ্চি পৰিধান কৰে লিঅ’নেল মেছিয়ে। ইয়াৰ লগে লগে এক আৱেগিক মুহূৰ্তত মেছিয়ে নিজৰ ২১ বছৰীয়া আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰৰ অন্ত পেলায়। আৰ্জেন্টিনাৰ ছুপাৰ ষ্টাৰ মেছিৰ অন্তিমখন খেল চাবলৈ ৮৫ হাজাৰ দৰ্শকেৰে ঠাহ খাই পৰিছিল ষ্টেডিয়াম। এঞ্জেল ডি মাৰিয়া, নিকোলাছ অ’টামেণ্ডি, ফ্ৰান্সৰ প্ৰাক্তন ফুটবলাৰ ডেভিদ ট্ৰেজেগুৱেটকো দেখা গৈছিল। খেল আৰম্ভ হোৱাৰ আগতে মনুমেন্টেলত দেখা গৈছিল ১০ নম্বৰৰ বিশাল জাৰ্ছী। তাৰ ওপৰত লিখা আছিল গ্লেছিয়াছ। ষ্টেডিয়ামত উপস্থিত হৈছিল মেছিৰ মাতৃ, পত্নীসহ তিনি সন্তান। ষ্টেডিয়ামৰ প্ৰতিজন দৰ্শকে পিন্ধি আছিল আৰ্জেন্টিনাৰ জাৰ্ছী। পিছফালে লিখা আছিল মেছিৰ নাম। ছুপাৰ ষ্টাৰ মেছিয়ে খেলপথাৰত প্ৰৱেশ কৰাৰ লগে লগে ষ্টেডিয়ামত উপস্থিত থকা সহস্ৰাধিক অনুৰাগীয়ে থিয় হৈ অভিবাদন জনায়। জাতীয় সংগীত বাজি উঠাৰ লগে লগে নিজৰ আৱেগক ধৰি ৰাখিব নোৱাৰিলে মেছিয়ে। আৰ্জেন্টিনাৰ অধিনায়কগৰাকীৰ চকুৰ পৰা নিগৰিছিল অশ্ৰু। দৰ্শকৰ মাজত থকা তেওঁৰ পত্নী আৰু মাতৃৰ চকুৰ

# অসম আৰক্ষীত ব্যাপক ৰদ-বদল

ৰঙিলী বাৰ্ত্তাসেৱা- অসম আৰক্ষীৰ বিষয়া পৰ্যায়ত ব্যাপক সালসলনি ঘটোৱা হৈছে। এক গুৰুত্বপূৰ্ণ ৰদবদলত অসম আৰক্ষীৰ উপ-আয়ুক্ত, বেটেলিয়ন কমাণ্ডেণ্টকে ধৰি বিভিন্ন পদবীৰ ৩৫ জনৰো অধিক বিষয়াক বদলি কৰা হৈছে। মঙলবাৰে এই সন্দৰ্ভত অধিসূচনা জাৰি কৰা হয়। সেই অনুসৰি গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত মাহাতো অমিত কুমাৰ সিদ্ধি প্ৰসাদক বদলি কৰি নিযুক্তি দিয়া হৈছে মুখ্যমন্ত্ৰীৰ নিৰাপত্তা বিভাগৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে। আনহাতে মুখ্যমন্ত্ৰীৰ নিৰাপত্তা বিভাগত জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰ দায়িত্ব চম্ভালি থকা উৎপল বায়নক বদলি কৰি নিযুক্তি দিয়া হৈছে সীমান্ত শাখাৰ উপ-আৰক্ষী আয়ুক্ত হিচাপে। আনহাতে কাৰ্বি আংলংস্থিত ২৩সংখ্যক অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক নিৰ্মল বৈশ্যক উক্ত স্থানৰ পৰা বদলি কৰি নিযুক্তি দিয়া হৈছে অগ্নি আৰু আপতকালীন বিভাগৰ উপ-সঞ্চালক হিচাপে। একেদৰে শদিয়াৰ ষষ্ঠ অসম কমাণ্ডো বেটেলিয়নৰ অধিনায়ক আনন্দ টকবিকো বদলি কৰি নিযুক্তি দিয়া হৈছে ২৩সংখ্যক অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক হিচাপে। গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত (প্ৰট’কল) ইফটাৰাখাৰ আলীক বদলি কৰি নিযুক্তি দিয়া হৈছে বৰপেটাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক হিচাপে। শ্ৰীভূমি জিলাৰ পঞ্চদশ অসম আৰক্ষী বেটেলিয়নৰ অধিনায়ক গীতাঞ্জলি

# লাভলীনাক অতিৰিক্ত আৰক্ষী অধীক্ষক পদলৈ পদোন্নতি



ৰঙিলী বাৰ্ত্তাসেৱা- শেহতীয়াকৈ জাপানত অনুষ্ঠিত এছিয়ান গেমছ ২০২৬ত স্বৰ্ণ পদক লাভ কৰা অসমকন্যা লাভলীনা বৰগোহাঁইক চৰকাৰে বিশেষ উপহাৰ দিলে। এছিয়ান গেমছৰ মহিলাৰ ৭৫ কেজি বক্সিং শাখাত স্বৰ্ণপদক অৰ্জন কৰি দেশ তথা অসমলৈ গৌৰৱ কঢ়িয়াই অনা অসম কন্যা লাভলীনা বৰগোহাঁইক লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উষ্ম অভিনন্দন জ্ঞাপন কৰে। এই গৌৰৱময় সাফল্যৰ স্বীকৃতিস্বৰূপে মুখ্যমন্ত্ৰী ড° শৰ্মাই ‘স্বৰ্ণকন্যা’ক ৰাজ্য চৰকাৰৰ সংহত ক্ৰীড়া নীতিৰ আধাৰত ৫০ লাখ টকাৰ এখন চেক প্ৰদান কৰাৰ লগতে তেওঁক অতিৰিক্ত আৰক্ষী অধীক্ষক পদলৈ পদোন্নতি দিয়া হ’ব বুলি ঘোষণা কৰে। গোলাঘাটৰ জীয়ৰী লাভলীনা গুৱাহাটীত আহি উপস্থিত হোৱাৰ কিছু সময়ৰ পিছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই তেওঁ কাৰ্যালয়ত খেলুৱৈগৰাকীক এই উপহাৰ প্ৰদান কৰে। লাভলীনাৰ ক্ৰীড়া প্ৰতিভা, কঠোৰ পৰিশ্ৰম, অধ্যৱসায় আৰু অদম্য মনোবলৰ প্ৰশংসা কৰি তেওঁৰ উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে মুখ্যমন্ত্ৰী ড° শৰ্মাই।

# বিজেপিৰ সেৱাজ্যোতি কলহ কাৰ্যসূচীত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সু-শাসন আৰু জনসেৱাৰ ২৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সমগ্ৰ দেশৰ লগতে অসমতো ভাৰতীয় জনতা পাৰ্টীৰ উদ্যোগত ‘সেৱা জ্যোতি কলহ যাত্ৰা’ আৰম্ভ হৈছে। ইয়াৰে অংশ হিচাপে গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত মুখ্য কাৰ্যসূচীত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰি এই যাত্ৰাৰ আনুষ্ঠানিক শুভাৰম্ভ কৰে। উল্লেখ্য যে গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু পৰৱৰ্তী সময়ত দেশৰ প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীৰ নিৰৱচ্ছিন্ন সেৱাৰ ২৫ বছৰপূৰ্তি উপলক্ষে ৰাজ্যিক বিজেপিৰ উদ্যোগত আজি খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলামন্দিৰত আয়োজিত বিকশিত ভাৰত সংকল্প সভাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়-২০০১ চনৰ আজিৰ এই দিনটোতে গুজৰাটৰ মুখ্যমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শপতগ্ৰহণ কৰিছিল। সেই সময়ত গুজৰাটৰ ভুজত হোৱা ভূমিকম্পৰ বাবে ৰাজ্যখন ভয়ংকৰ প্ৰাকৃতিক দুৰ্যোগৰ সন্মুখীন হৈছিল আৰু বিজেপিৰ নেতৃত্বই ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ প্ৰচাৰক হিচাপে ব্যস্ত থকা নৰেন্দ্ৰ মোদীক মুখ্যমন্ত্ৰী হিচাপে গুজৰাটলৈ পঠিয়াবলৈ সিদ্ধান্ত লৈছিল। সংকটকালত



গুজৰাটক আগুৱাই নিয়াৰ দায়িত্ব মোদীৰ ওপৰত অৰ্পণ কৰা হৈছিল। ২০০১ চনৰ পৰা ২০১৪ চনলৈকে নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰীৰ দায়িত্ব পালন কৰি দেশৰ ভিতৰতে গুজৰাটক এখন সৰ্বশ্ৰেষ্ঠ ৰাজ্যলৈ ৰূপান্তৰিত কৰে। গুজৰাট মডেল ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈ সমাদৃত হয় আৰু বিশ্বৰ বিভিন্ন স্থানৰ পৰা বিনিয়োগ গুজৰাটলৈ আহিবলৈ আৰম্ভ কৰে। কেন্দ্ৰত অধিষ্ঠিত তদানীন্তন কংগ্ৰেছ চৰকাৰৰ সম্পূৰ্ণ অসহযোগিতাৰ পাছতো নৰেন্দ্ৰ মোদীয়ে নিজৰ সামৰ্থ্যৰে ৰাজ্যখনক আগুৱাই লৈ যায়। দেশৰ প্ৰতিখন ৰাজ্যৰ জনতাই গুজৰাটৰ উন্নয়নৰ আৰ্হি গ্ৰহণ কৰিবলৈ নিজ ৰাজ্যৰ চৰকাৰক আহ্বান জনোৱাৰ পৰিৱেশ সৃষ্টি হয়। বিজেপিয়ে সেই সময়ত সিদ্ধান্ত গ্ৰহণ কৰে যে গুজৰাটৰ পৰা নৰেন্দ্ৰ মোদীক দেশৰ দায়িত্ব দিয়াৰ সময় হ’ল। ২০১৪ চনৰ সাধাৰণ নিৰ্বাচনত বিজেপিয়ে নৰেন্দ্ৰ মোদীক দেশৰ প্ৰধানমন্ত্ৰী

# নিৰ্বাচনী সততা তথ্য, পদ্ধতি আৰু জনসাধাৰণৰ অংশগ্ৰহণৰ ওপৰত নিৰ্ভৰশীলতা



**শৈলেন কুমাৰ, মিৰ্জা**

কোনো নিৰ্বাচনী ব্যৱস্থাৰ বিশুদ্ধতা বা সততা কেৱল নিৰ্বাচন পৰিচালনাৰ ওপৰতেই নিৰ্ভৰ নকৰে, বৰঞ্চ যিবোৰ পদ্ধতিৰ জৰিয়তে ভোটাৰ তালিকা প্ৰস্তুত, সংশোধন আৰু চূড়ান্ত কৰা হয়, সেই সম্পৰ্কে জনসাধাৰণৰ সঠিক বোধগম্যতাৰ ওপৰতো সেয়া নিৰ্ভৰ কৰে। শেহতীয়াকৈ' বিশেষ নিবিড় সংশোধন (Special Intensive Revision)-ক কেন্দ্ৰ কৰি সৃষ্টি হোৱা ৰাজহুৱা বিতৰ্কই খচৰা পৰ্যায়ৰ তথ্য আৰু চূড়ান্ত ভোটাৰ তালিকাৰ পৰিসংখ্যাৰ মাজৰ পাৰ্থক্য বুজি পোৱাৰ প্ৰয়োজনীয়তাক বিশেষভাৱে প্ৰতিফলিত কৰিছে।

ব্যাপকভাৱে প্ৰচাৰিত এটা দাবীত কোৱা হৈছে যে ৯ কোটি ভোটাৰৰ নাম কৰ্তন কৰা হৈছে'। নিৰ্বাচন আয়োগে যোগান ধৰা সমল অনুসৰি, এই পৰিসংখ্যাটো প্ৰকৃততে বিভিন্ন শ্ৰেণীৰ অন্তৰ্গত খচৰা পৰ্যায়ৰ নামভৰ্তিৰ সৈতেহে সম্পৰ্কিত। ইয়াৰ ভিতৰত আছে প্ৰায় ২.৮ কোটি মৃত ব্যক্তি, ৩ কোটি অনুপস্থিত বা সন্ধানহীন ব্যক্তি, ৬. ৩ কোটি স্থায়ীভাৱে স্থানান্তৰিত ব্যক্তি আৰু প্ৰায় ১ কোটি একাধিকবাৰ নামভৰ্তি হোৱা ভোটাৰ। এই শ্ৰেণীসমূহ কোনোপধ্যেই ১৩ কোটি ভোটাৰৰ চূড়ান্ত কৰ্তনৰ সমপৰ্যায়ৰ নহয়। চূড়ান্ত তালিকা প্ৰস্তুত হোৱাৰ পূৰ্বে এই ভোটাৰ তালিকা প্ৰস্তুতকৰণ প্ৰক্ৰিয়াটো পৰীক্ষণ (verification), দাবী-আপত্তি দাখিল আৰু চূড়ান্তকৰণৰ বিভিন্ন পৰ্যায়ৰ মাজেৰেহে অগ্ৰসৰ হয়।

ভাৰতৰ নিৰ্বাচনী ইতিহাসে প্ৰমাণ কৰে যে প্ৰতিষ্ঠানিক বিশ্বাস যোগ্যতা কালক্ৰমতহে গঢ় লৈ উঠে। ১৯৯০ৰ দশকত টি. এন. শেষানৰ কাৰ্যকাল ছোৱাক আয়োগৰ বিদ্যমান ক্ষমতা সমূহৰ অধিক দৃঢ় প্ৰয়োগৰ বাবে স্মৰণ কৰা হয়, য'ত আদৰ্শ নিৰ্বাচনী আচৰণ বিধিৰ কঠোৰ বলৱৎকৰণ আৰু আয়োগৰ ভূমিকাৰ অধিক স্পষ্ট প্ৰকাশ অন্তৰ্ভুক্ত আছিল। সেই সময়ছোৱাৰ তাৎপৰ্য কেৱল আয়োগে নিজৰ ক্ষমতা প্ৰয়োগ কৰাটোতেই সীমাবদ্ধ নাছিল, বৰঞ্চ নাগৰিকসকলে ক্ৰমান্বয়ে ইয়াক ৰাজনৈতিক চাপৰ পৰা মুক্ত হৈ স্বাধীনভাৱে কাম কৰিব পৰা এটা প্ৰতিষ্ঠান হিচাপে প্ৰত্যক্ষ কৰিবলৈ লৈছিল।

তিনিটা দশকৰ পাছত বৰ্তমান এই প্ৰত্যাহ্বানৰ স্বৰূপ সলনি হৈছে। আয়োগে এতিয়া এনে এক তথ্য-পৰিৱেশত কাম কৰিবলগীয়া হয়, য'ত এটা দাবীৰ প্ৰকৃত প্ৰসংগ বুজি উঠাৰ পূৰ্বেই সি কোটি কোটি মোবাইল বা কম্পিউটাৰৰ পৰ্দালৈ বিয়পি পৰে। নিৰ্বাচনী তথ্য, প্ৰশাসনিক সিদ্ধান্ত আৰু কাৰিকৰী পদ্ধতিসমূহক এটা শিৰোনাম অথবা এটা চুটি ভিডিঅ'লৈ সংকুচিত কৰি পেলাব পৰা যায়। এনে এক পৰিৱেশত প্ৰতিষ্ঠানিক ভাব-বিনিময় বা যোগাযোগো নিৰ্বাচনী স্বচ্ছতাৰ এক অপৰিহাৰ্য অংগ হৈ পৰে।

ভোটাৰ তালিকা সংশোধনক লৈ শেহতীয়াকৈ হোৱা বিতৰ্কই এই কথাটোকে প্ৰমাণ কৰে। কোনো খচৰা প্ৰক্ৰিয়াৰ লগত জড়িত এটা বৃহৎ সংখ্যাই ইয়াৰ প্ৰকৃত প্ৰশাসনিক মৰ্যাদাতকৈ সম্পূৰ্ণ সুকীয়া অৰ্থ বহন কৰিব পাৰে। আয়োগৰ নিজস্ব নিৰ্বাচনী বিধি-ব্যৱস্থাত নাম অন্তৰ্ভুক্তিৰ দাবী, প্ৰস্তাৱিত অন্তৰ্ভুক্তি বা কৰ্তনৰ বিৰুদ্ধে আপত্তি, আৰু শুধৰণি বা ঠিকনা সলনিৰ আবেদন সমূহৰ মাজত স্পষ্ট পাৰ্থক্য নিৰ্ধাৰণ কৰা আছে।

গতিকে, ৰাইজৰ সন্দেহ বা সংশয়ৰ উত্তৰ কেৱল নিৰ্বাচন আয়োগ এটা সাংবিধানিক কৰ্তৃপক্ষ বুলি কোৱাটোৰেই হ'ব নোৱাৰে। সাংবিধানিক মৰ্যাদাই আয়োগৰ কাৰ্যভাৰ (mandate) প্ৰতিষ্ঠা কৰে সঁচা, কিন্তু সেই কাৰ্যভাৰ যেতিয়া স্বচ্ছভাৱে প্ৰয়োগ কৰা হয় আৰু ইয়াৰ সিদ্ধান্তসমূহ সকলোৱে বুজি পোৱা তথা পৰীক্ষা কৰিব পৰা বিধৰ হয়, তেতিয়াহে জনসাধাৰণৰ আস্থা দৃঢ় হয়।

ইয়াৰ অৰ্থ এইটো নহয় যে আয়োগে প্ৰতিগৰাকী সমালোচকক সন্তুষ্ট কৰিব

*(আঠপৃষ্ঠাত চাওক)*

# কিতাপৰ পুৰণি পৃষ্ঠা



**ৰিমী হাজৰিকা, মাজুলী**

গাওঁ খনৰ ভিতৰতেই অৰবিন্দ নম্ৰ আৰু অমায়িক স্বভাৱৰ ল'ৰা। গাঁৱৰ বয়োজেষ্ঠ্য সকলেও তাক অত্যন্ত আদৰ আৰু মৰম কৰে। সি গাঁৱৰ বিদ্যালয়খনতে নৱম শ্ৰেণীত অধ্যয়ন কৰি আছে।

গাঁৱৰ পুৰণি বিদ্যালয়খনৰ গ্ৰন্থাগাৰটো বহুদিন ধৰি বন্ধ হৈ আছিল। ধূলিৰে আবৰি থকা আলমাৰি বিলাকত কিতাপবোৰে যেন নীৰৱে অতীতৰ কাহিনী আওৰাইছিল। আনদিনা ৰ দৰে সেইদিনা অৰবিন্দই লগৰীয়াৰ লগত খেলা আৰম্ভ কৰিছিল, কিন্তু হঠাৎ অহা বৰষুণজাকৰ বাবে সি খেল আৰম্ভ কৰিব নোৱাৰিলে। পঢ়া শুনাৰ প্ৰতি অত্যন্ত আগ্ৰহী অৰবিন্দই এখন্তেক গ্ৰন্থাগাৰ টৌলৈ চালে। তাৰ পাছত কিবা ভাবি সি কোঠালি টৌলৈ সোমাই গ'ল।

এটা পুৰণি কিতাপৰ আলমাৰি খোলোতে হঠাৎ এখন ডাঠ আৰু মলিন কিতাপ তাৰ চকুত পৰিল। কিতাপখনৰ বেটুপাতত কাৰো নাম নাছিল, পৃষ্ঠা বোৰ হালধীয়া হৈ পৰিছিল আৰু আখৰ বোৰ অস্পষ্ট হৈ আছিল। কিতাপখন সি উলিয়ায় আনিলে, এটা এটা কৈ পৃষ্ঠা লুটিয়াই গ'ল। কিতাপখনৰ প্ৰথম পৃষ্ঠাটো লুটিয়াই তাৰ চকু থল হৈ গ'ল। তাত লেখা আছিল- "জ্ঞান কেতিয়াও পুৰণি নহয়, পুৰণি হয় মাথো কেৱল কিতাপখনৰ পৃষ্ঠা।"

বাক্য শাৰী পঢ়ি অৰবিন্দ আচৰিত হ'ল। সি কিতাপখন এফালৰ পৰা চকু ফুৰাই গ'ল। এই কিতাপখনৰ প্ৰতিটো কথা যেন অৰবিন্দৰ জীৱনৰ লগত খাপ খোৱা। কিতাপখন আছিল এজন গাঁৱলীয়া দুখীয়া ছাত্ৰৰ জীৱন কাহিনীৰ ওপৰত আধাৰিত। যিয়ে নেকি বহু দুখ কষ্ট আৰু যন্ত্ৰণাৰ মাজেৰে পঢ়া শুনা কৰিছিল। ছাত্ৰ জনৰ কিতাপৰ প্ৰতি দুৰ্বাৰ হেঁপাহ আছিল। কিতাপ কিনি পঢ়িব নোৱাৰিলেও আনৰ পৰা পুৰণি কিতাপ সংগ্ৰহ কৰি পঢ়িছিল। সমাজৰ মানুহে তাক কৈছিল- "পঢ়া শুনা কৰি নো কি কৰিবা, দুখীয়াৰ জীৱন এনেদৰেই চলিব।" কিন্তু ছাত্ৰ জনে হাৰ মনা নাছিল।

অৰবিন্দই পাছদিনা বিদ্যালয়ৰ শিক্ষকক কিতাপখন দেখুৱালে। শিক্ষকজনে বহু সময় কিতাপখন চাই নীৰৱ হৈ থাকিল। তাৰ পাছত ক'লে, কিতাপখন সেই বিদ্যালয়ৰ এজন প্ৰাক্তন ছাত্ৰ ই দান কৰিছিল আৰু তেওঁ বৰ্তমান সেই বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ।

শিক্ষকজনৰ কথা শুনি অৰবিন্দই অলপ স্থিৰ হৈ পৰিল। আৱেগিক হৈ সি ভাবিছিল- "জীৱনৰ কঠিন সময়ত যদি ধৈৰ্য্য আৰু একাগ্ৰতা থাকে, তেতিয়া সফলতা তাৰ আশে-পাশে থাকে"।

সি মনত সংকল্প ল'লে যে নিজৰ লগতে আন দুখীয়া ছাত্ৰ ছাত্ৰীকো পুৰণি কিতাপৰ যোগান ধৰিব। সেই দিনাৰ পৰা তাৰ জীৱনত অলপ পৰিৱৰ্তন আহিল । সি নিজৰ লগতে ওচৰৰ সকলো ল'ৰা ছোৱালীক পঢ়াৰ প্ৰতি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰিলে। সি তাৰ বন্ধুৰ সৈতে জড়িত হৈ এটা "কিতাপৰ বন্ধু" গোট খুলিলে, আৰু পুৰণি কিতাপ সেই গোটলৈ দান কৰিলে।

অৰবিন্দই সেই পুৰণা কিতাপখন আলমাৰিত থৈ

*(আঠপৃষ্ঠাত চাওক)*

# মায়া

**প্ৰভাত বণিয়া**



আজি তোমাৰ সতে মোৰ কথা পতাৰ সময়
কথাৰ শেষ নাই
আকাংক্ষাৰ পৰিধি নাই
ফুৰফুৰিয়া গোন্ধ এটাই মোক
আনমনা কৰে
মই পাৰ হম বিশাল অৰণ্যানি
ভৰ বাৰিষাৰ কোবাল নদী
জীৱন সুন্দৰ
অনুপম জীৱনৰ কথকতা
লীন হৈ যাম তোমাতে
আমোল-মোল আমোল-মোল
তোমাৰ সুগন্ধি সুবাস।

# শিশুৰ মন

শচীন্দ্ৰ কুমাৰ দাস, পলাশবাৰী



ৰজনী মালাকাৰ এজন বেংক কৰ্মচাৰী। সম্প্ৰতি চাকৰিত পদোন্নতি লাভ কৰি তেওঁ সপৰিয়াল গুৱাহাটীৰ পদুম পুখুৰী নামৰ ঠাইখনলৈ বদলি হৈ আহে। নতুন ঠাইখনত সুবিধা বুজি তেওঁলোকে মাটি অলপ কিনি এটা ধুনীয়া নিজা ঘৰ সাজি ল'লে। ৰজনীৰ পত্নী মিনুৱে নতুন পৰিৱেশটো বৰ ভাল পাইছিল। তেওঁলোকৰ মণি আৰু মিলন নামৰ দুটা মৰমলগা শান্ত-শিষ্ট ল'ৰা আছিল।

তেওঁলোকৰ ঘৰৰ ঠিক সন্মুখতেই আছিল এই অঞ্চলৰে অতি ভদ্ৰ আৰু মৰমিয়াল পৰিয়ালটো-ৰমেন কাকতি মাষ্টৰৰ ঘৰ। ৰমেন বাবু পেচাগতভাৱে এজন শিক্ষক আৰু তেওঁৰ পত্নী পদুমী এগৰাকী অতি মৰমীয়াল মহিলা। কাকতি পৰিয়ালৰ দুটা ল'ৰা-ছোৱালী-আনিছ আৰু ৰিংকী। মণি আৰু মিলনতকৈ আনিছ আৰু ৰিংকী আছিল যথেষ্ট চঞ্চল আৰু উৎপতীয়া স্বভাৱৰ।

প্ৰথম লগ পোৱাৰ পৰাই দুয়োটা পৰিয়ালৰ মাজত এক অতি নিবিড় আৰু অন্তৰংগ সম্পৰ্ক গঢ়ি উঠিছিল। চুবুৰীয়া হিচাপে তেওঁলোক সুখ-দুখৰ সমভাগী হৈ পৰিছিল। মিনুৱে থাই খাদ্য ৰান্ধি বৰ ভাল পাইছিল আৰু প্ৰায়েই বিশেষ কিবা বনাব ল'লে কাকতি পৰিয়ালটোক নিমন্ত্ৰণ জনাইছিল। ইফালে, আনিছ আৰু ৰিংকীয়ে নিজৰ ঘৰতকৈ ৰজনী মালাকাৰৰ ঘৰতহে বাৰান্দাত চিঞৰ-বাখৰ কৰা, খেলাৰ ছলেৰে ঘৰৰ আচবাব লৰচৰ কৰা আদি উৎপাতবোৰ কৰিছিল। কিন্তু ৰজনী আৰু মিনুৱে সিহঁতক নিজৰ সন্তানৰ দৰেই মৰম কৰিছিল, কেতিয়াও এষাৰো গালি পৰা নাছিল। চাৰিওটা ল'ৰা-ছোৱালীৰ মাজৰ নিভেজাল বন্ধুত্বই দুয়োখন ঘৰক একেটা পৰিয়ালৰ দৰে বান্ধি ৰাখিছিল। এনেদৰেই সুখ আৰু আনন্দৰ মাজেৰে সুন্দৰকৈ দুটা বছৰ পাৰ হৈ গ'ল।

কিন্তু এদিন আবেলি এটা অপ্ৰত্যাশিত ঘটনা ঘটিল। বাৰান্দাত মণি-মিলনৰ লগত লুকাভাকু খেলি থাকোঁতে আনিছৰ ভৰি লাগি মিনুৰ অতি প্ৰিয় তথা দামী চিনামাটীৰ অৰ্কিড ফুলৰ টাবটো মজিয়াত পৰি মট-মটকৈ ভাঙি টুকুৰা-টুকুৰ হৈ গ'ল।

টাবটো ভঙাৰ শব্দ শুনি ৰিংকীয়ে খং আৰু ভয়তে চিঞৰি উঠিল। তাই আনিছক বৰকৈ গালি পাৰিবলৈ ধৰিলে, "তোৰ কাৰণেই আজি এইটো হ'ল! এতিয়া দেউতাই গম পালে আমাক পিটিব!" ভনীয়েকৰ গালি আৰু দেউতাকৰ ভয়ত আনিছেও কান্দি পেলালে। দুয়ো ভায়েক-ভনীয়েক খঙ আৰু অভিমানত কান্দি কান্দি দৌৰি নিজৰ ঘৰলৈ গুচি আহিল।

ইফালে, বেংকৰ কামৰ পৰা ভাগৰি অহা ৰজনী মালাকাৰে যেতিয়া বাৰান্দাত সিঁচৰতি হৈ থকা প্ৰিয় টাবটোৰ টুকুৰাবোৰ ভাঙি পৰি থকা দেখিলে, তেওঁৰ খং চুলিৰ আগ পালেগৈ। সদায় সহনশীল হৈ থকা মানুহজন হঠাতে ইমানেই উত্তেজিত হৈ পৰিল যে তেওঁ মণি আৰু মিলনক সিহঁতৰ সৈতে খেলিবলৈ একেবাৰে নিষেধ কৰিলে। কেৱল সেয়াই নহয়, অহা-যোৱা আৰু দেখা-দেখি সম্পূৰ্ণ বন্ধ কৰিবলৈ দুয়োখন ঘৰৰ ঠিক মাজতে এখন ওখ পকী দেৱাল থিয় কৰাই দিলে।

দুই বছৰীয়া সুমধুৰ সম্পৰ্কটোত হঠাতে এক গহীন মৌনতাই বিৰাজ কৰিলে। ৰমেন মাষ্টৰ আৰু পদুমীয়েও কথাটোত বৰ দুখ আৰু লাজ পালে। ডাঙৰ মানুহৰ অহংকাৰ আৰু অভিমানে দুয়োখন ঘৰক পৃথক কৰিলে সঁচা, কিন্তু সিহঁত চাৰিওটা ল'ৰা-ছোৱালীক বেলেগ কৰিব নোৱাৰিলে।

কিছুদিন যোৱাৰ পিছত, মণি, মিলন, আনিছ আৰু ৰিংকীয়ে দেৱালখনৰ একেবাৰে তলৰ চুকত এটা সৰু ফুট বিচাৰি উলিয়ালে। ডাঙৰৰ চকুৰ আঁৰত সিহঁতৰ গোপন সংযোগ আকৌ আৰম্ভ হ'ল। সিহঁতৰ আবেলিৰ গোপন আড্ডা সেই দেৱালৰ ফুটোতেই বহিবলৈ ধৰিলে। সিহঁতে এতিয়া সেই সৰু ফুটোৰেদি ইজনে সিজনলৈ চাই ফুচফুচাই কথা পাতে, চকলেট পাছ কৰে আৰু নিজৰ বন্ধুত্বক জীয়াই ৰাখে।

এদিন আবেলি ৰজনী মালাকাৰ বেংকৰ পৰা অলপ সোনকালেই ঘৰলৈ ঘূৰি আহিছিল। বাৰীৰ পিছফালে খোজ লওঁতেই তেওঁ এটা অস্পষ্ট গুণগুণনি আৰু সৰু সৰু হাঁহিৰ শব্দ শুনিবলৈ পালে। তেওঁ মনে মনে আগবাঢ়িগৈ যি দৃশ্য দেখিলে, তেওঁৰ বুকুখন চিৰিংকৈ উঠিল। ওখ পকী দেৱালখনৰ তলৰ সৰু ফুটোৰ ওচৰত মণি আৰু মিলন আঁঠু কাঢ়ি বহি আছিল আৰু সিপাৰৰ পৰা আনিছ আৰু ৰিংকীৰ মাত ভাঁহি আছিল। মিলনে পকেটৰ পৰা ললিপপ এটা সেই সৰু ফুটোৰেদি সিপাৰলৈ ঠেলি দিছিল।

ৰিংকীয়ে ফুটোৰেদি ফুচফুচাই কৈছিল, "মিলন ককাইদেউ, মিনু পেহীক ক'বা মোৰ বৰ মনত পৰিছে। তোমালোকে দেৱালৰ সিপাৰৰ পৰা খেলিলে আমাৰ বৰ অকলে অকলে লাগে।"

অবুজ শিশু কেইটাৰ চকুত কোনো খং নাছিল, আছিল কেৱল এজাক নিষ্পাপ মৰম। ৰজনী মালাকাৰ থমকি ৰ'ল। তেওঁৰ চকুহাল চলচলীয়া হৈ পৰিল। তেওঁ অনুভৱ কৰিলে যে খঙৰ ভমকত তেওঁ এটা মাটিৰ টাব ভঙাৰ বাবে ইমান ডাঙৰ শাস্তি দিলে এই নিষ্পাপ শিশু কেইটাক! তেওঁৰ মনত হ'ল তেওঁ যেন এক ডাঙৰ অপৰাধ কৰিলে।

তেওঁ আৰু নিজকে ধৰি ৰাখিব নোৱাৰিলে। খৰখেদাকৈ আগবাঢ়ি গৈ তেওঁ মণি আৰু মিলনক সাৱটি ধৰিলে আৰু দেৱালৰ ফুটোৰেদি সিপাৰলৈ চাই চিঞৰি উঠিল, "আনিছ! ৰিংকী! তহঁত ঘৰলৈ যাচোন, দেউতাৰাক মাতি আন। মই এই দেৱালখন আজিয়েই ভাঙি পেলাম!"

ৰজনী মালাকাৰৰ কথা শুনি আনিছ আৰু ৰিংকীয়ে লৰালৰিকৈ দৌৰি গৈ দেউতাক ৰমেন মাষ্টৰ আৰু মাক পদুমীক মাতি আনিলে। ইফালে ৰজনীয়ে ঘৰৰ পৰা হাতুৰী এখন উলিয়াই আনি নিজেই দেৱালখনত সজোৰে কোব মাৰিবলৈ ধৰিলে। শব্দটো শুনি মিনুও পাকঘৰৰ পৰা লৰি আহিল।

ৰজনী মালাকাৰে হাতুৰীখন দলিয়াই পেলাই চকুৰ পানীৰে ৰমেন মাষ্টৰৰ হাত দুখন খামুচি মাৰি ধৰিলে, "মাষ্টৰ বাবু, মোক ক্ষমা কৰি দিয়ক। খঙৰ ভমকত মই ইমান ডাঙৰ ভুল কৰিলোঁ! এই ওখ দেৱালখনে মোৰ ল'ৰা-ছোৱালী কেইটাৰ হাঁহিবোৰ কাঢ়ি লৈছিল। মই আজি বুজি পালোঁ, মাটিৰ টাব ভাঙিলে আকৌ কিনিব পাৰি, কিন্তু আপোনালোকৰ দৰে চুবুৰীয়া আৰু এই নিষ্পাপ মৰম হেৰাই গ'লে কেতিয়াও ঘূৰাই পোৱা নাযায়।"

ৰমেন মাষ্টৰৰো চকু চলচলীয়া হৈ পৰিল। তেওঁ ৰজনীক বুকুত সাৱটি ধৰি ক'লে, "ৰজনী, ভুল আমাৰো হৈছিল। কিন্তু আজি আপুনি দেৱালখন ভাঙি আমাৰ বুকুবোৰ আকৌ জোৰা লগাই দিলে।"

পদুমী আৰু মিনুৱেও ইজনীয়ে সিজনীক সাৱটি ধৰিলে। ইপিনে মণি, মিলন, আনিছ আৰু ৰিংকীৰ আনন্দৰ সীমা নোহোৱা হ'ল। সিহঁতে দেৱালৰ ভঙা অংশটোৰ মাজেৰেই ইটোৱে সিটোক সাৱটি ধৰি আনন্দতে নাচিবলৈ ধৰিলে।

পিছদিনাই ৰজনী মালাকাৰে দেৱালখন সম্পূৰ্ণৰূপে ভাঙি চাফা কৰি পেলালে। দুয়োখন ঘৰৰ চোতাল আকৌ এখন হৈ পৰিল। সেই দেওবাৰে পদুম পুখুৰীৰ ঘৰখনত এক ডাঙৰ উৎসৱৰ পৰিৱেশ গঢ়ি উঠিল। মিনুৱে বৰ হেঁপাহেৰে গোটেই পৰিয়ালটোৰ বাবে স্পেচিয়েল থাই খাদ্য ৰান্ধিলে। চোতালত ডাঙৰ মেজ পাৰি ৰজনী, মিনু, ৰমেন মাষ্টৰ আৰু পদুমী বহিল। কাষতে মণি, মিলন, আনিছ আৰু ৰিংকীয়ে হাঁহি-ধেমালিৰে দেওবাৰৰ দুপৰীয়াৰ সাজ একেলগে উপভোগ কৰিলে।

পদুম পুখুৰীৰ সেই ঠিকনাত এতিয়া কোনো দেৱাল নাই, আছে কেৱল এজাক অপাৰ মৰম, বন্ধুত্ব আৰু সুদৃঢ় আত্মীয়তা, যাক কোনো খং বা অভিমানে কেতিয়াও ভাঙিব নোৱাৰে।

# যাবই যেতিয়া লাগিব



ভটিমা ৰাজবংশী, নলবাৰী

যাবই যেতিয়া লাগিব
অনুতাপ নকৰোঁ দিয়া
এখনেই যে মোৰ আলসুৱা হিয়া
ল'বলৈও একো নাই
দিবলৈও একো নাই
হিয়াখন বৰ কোমল
তাক চিৰা-চিৰ নকৰোঁ দিয়া
আলফুলে তুলি দিলোঁ
হাত পাতি লোৱা।
যাবই যেতিয়া লাগিব
পিছলৈ ঘূৰি নাচাওঁ দিয়া
পোৱা-নোপোৱাৰ অভিযোগবোৰ
আৰু আউৰাই হিয়াখনক
মলিন নকৰোঁ দিয়া
জন্মৰ পৰা এই ক্ষণৈ
এইখনেই মোৰ ৰঙা তেজৰ
বৰ কোমল হিয়া
তাকেই দিলোঁ
হাত পাতি লোৱা।
যাবই লাগিব যেতিয়া
মনৰ দেহৰ আৱৰণবোৰ
সলাই থৈ আহিছোঁ দিয়া
আৰু পলম নকৰোঁ
হাতখন বঢ়াই দিয়া
তোমাৰ হাতত হাত থৈ
তোমাৰ পথেৰে
কোমল হিয়াখনক
পৰম আনন্দে লৈ যাওঁ ব'লা।

# অস্পৃশ্যতাঃ মানৱতাৰ কপালত বৈষম্যৰ ক'লা দাগ



**স্মৃতা শইকীয়া, মাজুলী, বনগাঁও**

আইনৰ নিষেধাজ্ঞাৰ পাছতো সমাজ- চেতনাৰ গভীৰত কিয় এতিয়াও জীয়াই আছে অস্পৃশ্যতাৰ ছায়া?

মানুহে চন্দ্ৰৰ বুকুত নিজৰ পদচিহ্ন আঁকিছে, মহাকাশৰ সীমা অতিক্ৰম কৰি অজ্ঞতাৰ জ্ঞানৰ দুৱাৰ মুকলি কৰিছে; বিজ্ঞান আৰু প্ৰযুক্তিৰ অভুতপূৰ্ব অগ্ৰগতিয়ে সভ্যতাৰ পৰিসৰক অভাৱনীয়ভাৱে বিস্তৃত কৰিছে। কিন্তু এই একবিংশ শতিকাৰ তথাকথিত সভ্য সমাজখনৰ অন্তঃকৰণত আজিও কেতিয়াবা উকি মাৰে এক আদিম অন্ধকাৰ- অস্পৃশ্যতা। আধুনিকতাৰ উজ্জ্বল আভাৰ আঁৰত লুকাই থকা এই বৈষম্য যেন মানৱতাৰ কপালত লাগি থকা এক ক'লা দাগ, যি মানুহৰ মাজত মানুহৰেই অদৃশ্য প্ৰাচীৰ নিৰ্মাণ কৰি আহিছে।

অস্পৃশ্যতা কেৱল এটি সামাজিক কু-প্ৰথা নহয়; ই মানুহৰ মৰ্যাদা, সমতা, স্বাধীনতা আৰু অস্তিত্বৰ ওপৰত কৰা এক নিৰ্মম আঘাত। জন্ম, জাতি বা সামাজিক পৰিচয়ৰ ভিত্তিত কোনো ব্যক্তিক হেয় জ্ঞান কৰা, সামাজিক সম্পৰ্কৰ পৰা আঁতৰাই ৰখা, উপাসনাস্থলী, পানীৰ উৎস, শিক্ষাৰ অধিকাৰ অথবা সামাজিক জীৱনৰ সমান অংশীদাৰিত্বৰ পৰা বঞ্চিত কৰা-এই সকলোবোৰেই অস্পৃশ্যতাৰ বিভিন্ন ৰূপ। কাৰোবাৰ স্পৰ্শক 'অশুচি' বুলি গণ্য কৰা মানসিকতা আচলতে কেৱল দেহৰ মাজত দূৰত্ব সৃষ্টি নকৰে; ই মানুহৰ হৃদয়ৰ পৰা মানুহক আঁতৰাই নিয়ে, বিবেকৰ দুৱাৰত টানি দিয়ে বিভাজনৰ কপাট।

ভাৰতীয় সংবিধানে সমতা আৰু মানৱীয় মৰ্যাদাক গণতান্ত্ৰিক সমাজৰ অন্যতম মূল আধাৰ হিচাপে স্বীকৃতি দিয়াৰ লগতে ১৭ নং অনুচ্ছেদত অস্পৃশ্যতা বিলোপৰ স্পষ্ট ঘোষণা কৰিছে। আইন আছে, অধিকাৰ আছে, অন্যায়ৰ বিৰুদ্ধে শাস্তিৰ ব্যৱস্থাও আছে। তথাপি সমাজৰ কিছুমান স্তৰত যদি বৈষম্যমূলক আচৰণৰ অৱশেষ আজিও পৰিলক্ষিত হয়, তেন্তে ই আমাক এটা গভীৰ সত্যৰ সন্মুখীন কৰায়-আইনে বাহ্যিক আচৰণ নিয়ন্ত্ৰণ কৰিব পাৰে, কিন্তু মানুহৰ মনৰ ভিতৰত গোট খাই থকা সংকীৰ্ণতা আঁতৰাবলৈ প্ৰয়োজন চেতনাৰ পৰিৱৰ্তন।

অস্পৃশ্যতাৰ শিপা কেৱল অশিক্ষাৰ মাটিতেই নহয়; বহু সময়ত ই অন্ধ পৰম্পৰা, কুসংস্কাৰ, সামাজিক সংকীৰ্ণতা আৰু প্ৰজন্মৰ পৰা প্ৰজন্মলৈ সঞ্চাৰিত হোৱা ভুল ধাৰণাৰ গভীৰতাত ৰোপিত হৈ থাকে। সেয়েহে ইয়াৰ বিৰুদ্ধে যুঁজখন কেৱল আইন-কানুনৰ সীমাৰ ভিতৰত আবদ্ধ ৰাখিলে নহ'ব। শিক্ষা হ'ব লাগিব ইয়াৰ প্ৰথম প্ৰতিষেধক, সচেতনতা হ'ব লাগিব শক্তিশালী অস্ত্ৰ আৰু মানৱীয়তা হ'ব লাগিব পথৰ একমাত্ৰ দিশদৰ্শক।

বিদ্যালয়- মহা-বিদ্যালয়ৰ পৰা আৰম্ভ কৰি পৰিয়াল, সামাজিক অনুষ্ঠান আৰু জনজীৱনৰ প্ৰতিটো স্তৰলৈকে সমতা, সহমৰ্মিতা, ভাতৃত্ববোধ আৰু মানৱীয় মৰ্যাদাৰ মূল্যবোধ প্ৰোথিত কৰিব লাগিব। কাৰণ শিশুৰ কোমল মনত যদি 'উচ্চ' আৰু 'নীচ'ৰ কৃত্ৰিম বিভাজনৰ সলনি 'আমি সকলো মানুহ সমান'-এই চিৰসত্যটো ৰোপণ কৰিব পৰা যায়, তেন্তে ভৱিষ্যৎ প্ৰজন্মই হয়তো বৈষম্যৰ সেই পুৰণি দেৱালবোৰ সম্পূৰ্ণৰূপে ভাঙি পেলাব পাৰিব।

এখন সমাজৰ প্ৰকৃত উন্নতি কেৱল সুউচ্চ অট্টালিকা, উন্নত প্ৰযুক্তি অথবা অৰ্থনৈতিক সমৃদ্ধিৰে নিৰ্ণয় নহয়। সমাজ কিমান সভ্য, তাৰ প্ৰকৃত পৰিচয় পোৱা যায়- সেই সমাজে আটাইতকৈ অৱহেলিত মানুহ জনক কিমান মৰ্যাদা, সন্মান আৰু সম অধিকাৰ প্ৰদান কৰে তাৰ মাজত। যি সমাজত এজন মানুহে জন্মৰ পৰিচয়ৰ বাবে মূৰ নত কৰিবলগীয়া হয়, সেই সমাজৰ উন্নতি এতিয়াও অসম্পূৰ্ণ।

সেয়েহে অস্পৃশ্যতাৰ বিৰুদ্ধে যুঁজখন কোনো এক ব্যক্তি, সম্প্ৰদায় বা চৰকাৰৰ একক দায়িত্ব নহয়; ই প্ৰতিজন সচেতন নাগৰিকৰ নৈতিক আৰু মানৱীয় দায়িত্ব। অন্যায় দেখিও নীৰৱ হৈ থকাটোও এক প্ৰকাৰৰ বৈষম্যক প্ৰশ্ৰয় দিয়া। আমাৰ কথা, কৰ্ম আৰু চিন্তাৰ মাজেৰে সমতাৰ পক্ষত থিয় দিয়াটোৱেই হ'ব প্ৰকৃত সামাজিক দায়বদ্ধতা।

মানুহৰ শ্ৰেষ্ঠ পৰিচয় তেওঁৰ জাতি, বৰ্ণ, জন্ম বা বংশত নহয়- তেওঁৰ শ্ৰেষ্ঠ পৰিচয় তেওঁৰ মানৱতাত। সেয়ে অস্পৃশ্যতাৰ দেৱাল ভাঙি, বৈষম্যৰ ক'লা ছায়া আঁতৰাই, সমতা আৰু ভাতৃত্ববোধৰ পোহৰেৰে সমাজখন আলোকিত কৰাটোৱেই হওক

*(বাৰপৃষ্ঠাত চাওক)*

# নিৰ্বাচনী সততা তথ্য, পদ্ধতি

লাগিব। কোনো স্বতন্ত্ৰ সাংবিধানিক প্ৰতিষ্ঠানেই সকলোৰে সৰ্বসন্মতি বিচাৰি কাম কৰিব নোৱাৰে। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হয় যে প্ৰতিষ্ঠানটোৱে নিজৰ কাম-কাজৰ পদ্ধতিসমূহ স্পষ্টভাৱে ব্যাখ্যা কৰক, প্ৰাসংগিক তথ্যসমূহ সহজলভ্য ৰূপত প্ৰকাশ কৰক আৰু সাময়িক তথ্য, প্ৰশাসনিক সিদ্ধান্ত আৰু চূড়ান্ত ফলাফলৰ মাজৰ পাৰ্থক্য স্পষ্ট কৰি তোলক।

ভুল-ত্ৰুটিৰ ক্ষেত্ৰতো একেই নীতি প্ৰযোজ্য। ভাৰতৰ দৰে বিশাল পৰিসৰৰ নিৰ্বাচনী প্ৰক্ৰিয়া পৰিচালনা কৰা এটা প্ৰতিষ্ঠানত অনিবাৰ্যভাৱেই কিছুমান ভুল, আসোঁৱাহ আৰু বিবাদৰ সৃষ্টি হ'ব পাৰে। এনে সমস্যা কেতিয়াও হ'ব নোৱাৰে বুলি কৃপাণ ভাওজোৰাটো প্ৰতিষ্ঠানিক বিশ্বাসযোগ্যতাৰ পৰিচায়ক নহয়। বৰঞ্চ সুনিৰ্দিষ্ট পদ্ধতিৰ মাজেৰে সেই ভুলসমূহ চিনাক্ত কৰিব পৰা, শুধৰাব পৰা আৰু ইয়াৰ প্ৰকৃত জবাবদিহিতা প্ৰদৰ্শন কৰাটোহে প্ৰয়োজনীয়।

ইয়াৰ মাজত এক গভীৰ সাংবিধানিক শিক্ষা নিহিত হৈ আছে। যেতিয়া কোনো প্ৰতিষ্ঠানৰ কৰ্তৃত্বৰ সৈতে স্বচ্ছতাও যুক্ত হয়, তেতিয়া সি অধিক শক্তিশালী হৈ পৰে। স্বতন্ত্ৰ হৈ থাকিবলৈ নিৰ্বাচন আয়োগ জনসাধাৰণৰ পৰীক্ষা-নিৰীক্ষাৰ পৰা আঁতৰি থকাৰ কোনো প্ৰয়োজন নাই। বৰঞ্চ নিৰ্দিষ্ট আৰু স্পষ্ট পদ্ধতি, সহজলভ্য তথ্য আৰু যুক্তিযুক্ত ব্যাখ্যাইহে ইয়াৰ স্বতন্ত্ৰতাক অধিক বিশ্বাসযোগ্য কৰি তুলিব পাৰে।

গতিকে, নিৰ্বাচনৰ প্ৰতি জনসাধাৰণৰ বিশ্বাসক কোনো এটা প্ৰতিষ্ঠানৰ প্ৰতি থকা অন্ধবিশ্বাস বুলি ধৰি লোৱা অনুচিত। ইয়াৰ প্ৰকৃত অৰ্থ হ'ল এনে এক সুদৃঢ় আস্থা- যত প্ৰতিষ্ঠানটোৰ কাৰ্য সম্পাদনৰ যথোচিত কৰ্তৃত্ব আছে, ভুল শুধৰোৱাৰ সঠিক পদ্ধতি আছেআৰু নিজৰ সিদ্ধান্তসমূহ ৰাইজক বুজাই দিয়াৰ স্পষ্ট উদাৰতা আছে।

পৰিশেষত, নিৰ্বাচন আয়োগৰ বিশ্বাস যোগ্যতাৰ আটাইতকৈস্থায়ী ভেটিটোহ'ল: নাগৰিকসকলে কোনো প্ৰশ্ন নকৰাকৈয়ে বিশ্বাস কৰিব বুলি আশা কৰাটো নহয়, বৰঞ্চ এনে এক নিৰ্বাচনী ব্যৱস্থা নিশ্চিত কৰাটোহে, য'ত নাগৰিকসকলৰ আস্থা ৰখাৰ যুক্তিযুক্ত কাৰণ থাকে, কিয়নো প্ৰতিষ্ঠানটোৱে কিদৰে আৰু কিয় কাম কৰে, সেয়া ধাৰাবাহিকভাৱে কাৰ্যক্ষেত্ৰত প্ৰতিপন্ন কৰি দেখুৱায়।

# প্ৰকৃত ঠিকনা



**ৰূপালী গগৈ চুতীয়া**

তুমি ৰঙা ভাল পোৱা বাবেই
ৰঙীন হৈ গৈছিলোঁ
পিছে এতিয়া কি কৰোঁ?
তুমি বৰষুণ ভাল পোৱা বাবেই
চিপচিপিয়া বৰষুণত তিতিলোঁ
পিছে এতিয়া কি কৰোঁ?
মাথো জীয়াই থাকিবৰ বাবে নহয়
আন্তৰিকতা আছে বাবে
হয়টো নিজৰ কৰি লৈছিলোঁ
পিছে ...
প্ৰেম আৰু ভাল পোৱা
ৰাধা কৃষ্ণক সুধিবা
যদি কিবা বাকী আছে
নিজক সুধি লোৱা।
জীৱনৰ মধুৰতম সময়
আজিও তুমি জানা
সকলোকে কওঁ
মোৰ প্ৰকৃত ঠিকনা মাথোঁ...
তোমাৰ মৰম লগা ওঁঠযুৰি
পিছে তোমাৰ ঠিকনা
আজিও ...
আৰু একো নকওঁ দিয়া
নকওঁ দিয়া।

# কিতাপৰ পুৰণি পৃষ্ঠা

আহিল, কিন্তু এইবাৰ কিতাপখনৰ প্ৰথম পৃষ্ঠাত সি এশাৰী বাক্য লিখি থৈ আহিল—

"এখন কিতাপৰ জীৱন তেতিয়ালৈকে শেষ নহয়,
যেতিয়ালৈকে তাৰ পৰা কোনেও নতুন সপোন দেখিবলৈ নিশিকে।"

সেইদিনা ৰ পৰা গ্ৰন্থাগাৰত সেই কিতাপখনৰ মাজত এটি নতুন কাহিনীৰ জন্ম হ'ল -এজন শিক্ষাৰ্থীৰ, যিয়ে এখন পুৰণি কিতাপৰ পৰা শিক্ষাৰ প্ৰকৃত অৰ্থ বিচাৰি পাইছিল।

# পলাশবাৰীত অবৈধ

বৰ্তমান সময়তো আৰক্ষী প্ৰশাসনক সম্পূৰ্ণৰূপে অংগুষ্ঠ প্ৰদৰ্শন কৰি এইকেইজন কুখ্যাত সুৰা বেপাৰীয়ে পূৰ্বতকৈও অধিক সক্ৰিয়ভাৱে চলাই গৈছে সুৰাৰ এই ক'লা ব্যৱসায়। এই অবৈধ কাৰ্যকলাপৰ বিৰুদ্ধে এতিয়া তীব্ৰ ক্ষোভ উথলি উঠিছে পলাশবাৰীৰ জনমানসত। সমষ্টিটোৰ কেইবাটাও দল-সংগঠনৰ লগতে স্থানীয় সচেতন মহলে যুৱপ্ৰজন্মক ধ্বংস কৰা আৰু সামাজিক পৰিৱেশ বিনষ্ট কৰা এই সমাজবিৰোধী সুৰা বেপাৰীসকলৰ বিৰুদ্ধে অতিশীঘ্ৰে কঠোৰতকৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ জোৰদাৰ দাবী উত্থাপন কৰিছে। এতিয়া সচেতন ৰাইজৰ এটাই প্ৰশ্ন- যুৱপ্ৰজন্মক ধ্বংসৰ মুখলৈ ঠেলি দিয়া এই সমাজবিৰোধী চক্ৰটোক আৰক্ষী প্ৰশাসনে কেনেকৈ আৰু কেতিয়া নাকী লগায়, সেয়া হ'ব এক ডাঙৰ লক্ষণীয় বিষয়।

# ডিব্ৰুগড়ৰ সাহসী

তন্ত্ৰত সাপৰ গুৰুত্ব বুজাই মানুহ আৰু বন্যপ্ৰাণীৰ মাজত সহাৱস্থানৰ সুন্দৰ নিদৰ্শন দাঙি ধৰিছে। অসম চৰকাৰৰ বিশেষ স্বীকৃতিঃ জিতু হাজৰিকাৰ এই অতুলনীয় তথা জনহিতকৰ সেৱাক ৰাজ্যিক পৰ্যায়ত আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহত অসম চৰকাৰৰ ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহ উদযাপনৰ মঞ্চত তেওঁক সম্বৰ্ধনা জনোৱা হয়। বনমন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই জিতু হাজৰিকাক বিশেষ সম্বৰ্ধনা পত্ৰ আৰু সন্মান আগবঢ়ায়। ডিব্ৰুগড়বাসীয়ে ইয়াৰ বাবে এ অতি গৌৰৱৰ বিষয় বুলি অনুভৱ কৰে।

# লাভলীনাক অতিৰিক্ত

তেওঁ কয় যে লাভলীনাৰ এই স্বৰ্ণিল সাফল্য কেৱল অসমৰ বাবেই নহয়, সমগ্ৰ দেশৰ বাবেই এক গৌৰৱৰ বিষয়। আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়াক্ষেত্ৰত লাভলীনাই অসমৰ নাম উজলাই আহিছে আৰু তেওঁৰ সফলতাই ৰাজ্যৰ নৱপ্ৰজন্মক ক্ৰীড়াৰ ক্ষেত্ৰত নতুন সপোন দেখিবলৈ তথা সেই সপোন বাস্তৱায়িত কৰাৰ বাবে কঠোৰ পৰিশ্ৰম কৰিবলৈ অনুপ্ৰাণিত কৰিব। আনহাতে মুখ্যমন্ত্ৰীৰ কাৰ্যালয়ে সামাজিক মাধ্যমৰ এটা পোষ্টত লিখিছে, "জাপানত অনুষ্ঠিত এছিয়ান গেমছৰ মহিলাৰ ৭৫ কিঃগ্ৰাঃ বক্সিং শাখাত স্বৰ্ণ পদক অৰ্জন কৰি দেশ তথা অসমলৈ গৌৰৱ কঢ়িয়াই অনা অসম জীয়ৰী লাভলীনা বৰগোহাঁইক আজি লোকসেৱা ভৱনত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উষ্ম অভিনন্দন জ্ঞাপন কৰে। লাভলীনা বৰগোহাঁইৰ এই ঐতিহাসিক সাফল্যৰ স্বীকৃতিস্বৰূপে মুখ্যমন্ত্ৰীয়ে তেওঁক ৫০ লাখ টকাৰ এখন চেক প্ৰদান কৰি উজ্জ্বল ভৱিষ্যতৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে। বিশ্ব বক্সিঙত অসম সন্তানৰ আধিপত্য অব্যাহত থাকক। এই গৌৰৱময় ক্ষণত ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰৰ উপৰি লাভলীনাৰ পিতৃ টিকেন বৰগোহাঁই, মাতৃ মামণি বৰগোহাঁইৰ লগতে বায়েকদ্বয় লিমা বৰগোহাঁই, লিজা বৰগোহাঁই আৰু পৰিয়ালৰ অন্যান্য লোকসকল উপস্থিত থাকে।

# উন্নত ভাৰত সংকল্প

যেতিয়া গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰিছিলোঁ, তেতিয়া কল্পনাও কৰা নাছিলোঁ যে এদিন প্ৰধানমন্ত্ৰী হ'ম। কিন্তু একেৰাহে ২৫ বছৰ ধৰি চৰকাৰৰ মুৰব্বী হিচাপে এই মাইলৰ খুঁটি স্পৰ্শ কৰিলোঁ। দেশৰ মানুহৰ ভাল পোৱাৰ বাবেই ই সফল হ'ব পাৰিছে। দেশবাসীৰ প্ৰতি আমি কৃতজ্ঞ ।' প্ৰধানমন্ত্ৰী মোদীয়ে আৰু কয়-'আমাৰ জীৱনত কোনো ঘটনাই অথলে যোৱা নাই। যিসকলে আমাক জিকাইছে, তেওঁলোকৰ পৰা বিনয়ী হৈ শিকিছোঁ। যিসকলে হৰুৱাইছে, তেওঁলোকৰ পৰা পুনৰ থিয় হ'বলৈ শিকিছোঁ। শুভাকাংক্ষীসকলে উৎসাহিত কৰিছে আৰু সমালোচকসকলে আত্মসমালোচনাৰ সুযোগ দিছে। প্ৰতিটো সংকটত ধৈৰ্যৰ পৰীক্ষা দিছোঁ। প্ৰতিটো সাফল্যই দায়িত্ব বঢ়াইছে আৰু বৃহৎ লক্ষ্যৰে আগুৱাই যোৱাৰ সাহস যোগাইছে।'

# অসম আৰক্ষীত

দলেক বদলি কৰি নিযুক্তি দিয়া হৈছে গুৱাহাটীৰ উপ-আৰক্ষী আয়ুক্ত (প্ৰট'কল) হিচাপে। কোকৰাঝাৰৰ অতিৰিক্ত আৰক্ষী অধীক্ষক প্ৰকাশ মেধিক বদলি কৰি নিযুক্তি দিয়া হৈছে সহকাৰী আৰক্ষী মহাপৰিদৰ্শক হিচাপে। পৃথ্বিৰাজ ৰাজখোৱাক তিনিচুকীয়াৰ নতুন এএছপি হিচাপে, মৃণ্ময় দাসক শিৱসাগৰ জিলাৰ এএছপি (অপৰাধ) হিচাপে নিযুক্তি দিয়া হৈছে। উল্লেখ্য যে গৃহ বিভাগে উক্ত নিৰ্দেশযোগে মুঠ ৩৫গৰাকী আইপিএছ-এপিএছ বিষয়াক বদলিৰ লগতে নতুনকৈ নিযুক্তি দিছে।

# হিমাশ্ৰী বড়োৰ মৃত্যুৰ তদন্ত বিচাৰি

থাকক, তেওঁলোকৰ সুৰক্ষা আৰু ন্যায় নিশ্চিত কৰাটো ৰাজ্য চৰকাৰৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ। উল্লেখ্য যে অন্ধ্ৰপ্ৰদেশৰ পৰা ঘূৰি অহাৰ সময়ত ৰে'লযাত্ৰাৰ মাজতে সন্ধানহীন হৈছিল যুৱতীগৰাকী আৰু পিছত তেওঁৰ মৃতদেহ এখন হাবিত উদ্ধাৰ হৈছিল। কেন্দ্ৰীয় ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱ আৰু অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুলৈ পৃথকে পৃথকে লিখা পত্ৰত মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰা অনুসৰি, কামৰূপ জিলাৰ ২০ বছৰীয়া ছাত্ৰী হিমাশ্ৰী বড়ো এটা নৃত্যদলৰ সৈতে বিশাখাপট্টনমলৈ গৈছিল আৰু তাৰ পৰা অসমলৈ উভতি আহি আছিল। যোৱা ৫ অক্টোবৰত তেওঁ বিশাখাপট্টনমৰ পৰা ডিব্ৰুগড় অভিমুখী বিবেক এক্সপ্ৰেছ (ৰে'ল নং ২২৫০৩)-ত যাত্ৰা আৰম্ভ কৰিছিল। ৬ অক্টোবৰত পৰিয়ালৰ লোকে তেওঁৰ পৰা এটা উদ্বেগজনক বাৰ্তা লাভ কৰে। বাৰ্তাটোত নিজৰ চাৰিওফালে বহু পুৰুষৰ উপস্থিতিৰ বাবে তেওঁ ভয় অনুভৱ কৰাৰ কথা প্ৰকাশ কৰা বুলি পত্ৰখনত উল্লেখ কৰা হৈছে। ইয়াৰ পিছতে তেওঁ সন্ধানহীন হৈ পৰে। পৰৱৰ্তী সময়ত ৰে'লখনৰ এছ-২ দবাৰ পৰা তেওঁৰ বেগ উদ্ধাৰ কৰা হয়। তাৰ পিছত অন্ধ্ৰপ্ৰদেশৰ শ্ৰীকাকুলাম জিলাৰ মালায়াপুৰমৰ সমীপৱৰ্তী এটা বনাঞ্চলৰ পৰা তেওঁৰ মৃতদেহ উদ্ধাৰ কৰা হয়। মুখ্যমন্ত্ৰীয়ে সংশ্লিষ্ট কৰ্তৃপক্ষক হিমাশ্ৰীয়ে ৰে'লত যাত্ৰা আৰম্ভ কৰাৰ পৰা সন্ধানহীন হোৱা আৰু তেওঁৰ মৃতদেহ উদ্ধাৰ হোৱালৈকে প্ৰতিটো ঘটনা পুংখানুপুংখভাৱে পৰীক্ষা কৰিবলৈ আহ্বান জনাইছে। তদন্তত কোনো অপৰাধৰ সৈতে লোক জড়িত থকাৰ প্ৰমাণ পোৱা গ'লে তেওঁলোকক শীঘ্ৰে চিনাক্ত কৰি আইনৰ আওতালৈ অনাৰ বাবেও প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে। তেওঁ তদন্ত প্ৰক্ৰিয়া যাতে নিৰপেক্ষ, বিস্তৃত আৰু নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সম্পূৰ্ণ হয়, তাৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ব্যক্তিগত হস্তক্ষেপ কামনা কৰিছে।

# আন্তঃৰাষ্ট্ৰীয় ফুটবলক বিদায়

পৰাও ওলাইছিল চকুলো। প্ৰশিক্ষক লিঅ'নেল স্কাল'নিয়েও হৈ পৰিছিল আৱেগিক। মেচখনৰ টছৰ পূৰ্বে মেছিক এটা স্মাৰক প্ৰদান কৰে প্ৰতিদ্বন্দ্বী বেনিনে। আমাজন জংঘলৰ শৈলীত নিৰ্মিত ভাস্কৰ্যৰ সৈতে আছিল এখন চিঠি। আৰ্জেণ্টিনাৰ জাৰ্ছীত নিজৰ অন্তিমখন আন্তঃৰাষ্ট্ৰীয় মেচতো মেছিয়ে গ'ল আৰু দুটা এছিষ্টেৰে স্মৰণীয় কৰি তুলিলে। মেচখনত আৰ্জেণ্টিনাই বেনিনক ৩-০ গ'লত পৰাস্ত কৰে। মেচখনৰ ৭১ মিনিটত পেনাল্টীৰ জৰিয়তে গ'ল স্ক'ৰ কৰে মেছিয়ে আৰু ইয়াৰ লগে লগে কেৰিয়াৰত আন্তঃৰাষ্ট্ৰীয় গ'লৰ সংখ্যা ১২৬টালৈ বৃদ্ধি কৰে। মেচখনত মেছিয়ে এটা গ'ল কৰাৰ লগতে তেওঁ দুটা গ'লৰ বাবে সতীৰ্থক সুযোগেৰো সৃষ্টি কৰি দিয়ে। ২০০৫ চনৰ ১৭আগষ্টত আৰ্জেণ্টিনাৰ হৈ আন্তঃৰাষ্ট্ৰীয় ফুটবলত অভিষেক ঘটিছিল মেছিৰ। দেশখনৰ হৈ ২০৭খন মেচ খেলি ১২৬টা গ'লেৰে আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰৰ সামৰণি মাৰে মেছিয়ে। মেছিৰ কেৰিয়াৰ কেৱল ব্যক্তিগত অভিলেখতে সীমাবদ্ধ নহয়। আৰ্জেণ্টিনাৰ সৈতে তেওঁ ২০০৮ চনৰ বেইজিং অলিম্পিকত সোণৰ পদক জয় কৰিছিল। ইয়াৰ পিছত ২০২১ আৰু ২০২৪ চনত কোপা আমেৰিকাৰ খিতাপ জয় কৰে। কিন্তু তেওঁৰ কেৰিয়াৰৰ আটাইতকৈ ডাঙৰ সফলতা আহিছিল ২০২২ চনত। সেইবাৰ মেছিৰ নেতৃত্বত আৰ্জেণ্টিনাই ফিফা বিশ্বকাপৰ খিতাপ জয় কৰিছিল। ইয়াৰ উপৰি ২০২২ চনত তেওঁ ফাইনেলিছিমাৰ খিতাপো জয় কৰে। ২০২৬ চনৰ বিশ্বকাপ আছিল মেছিৰ আন্তঃৰাষ্ট্ৰীয় কেৰিয়াৰৰ অন্তিমখন বৃহৎ প্ৰতিযোগিতা। ফিফাৰ সন্মানীয় প্ৰতিযোগিতাখনৰ ফাইনেলত স্পেইনৰ হাতত পৰাস্ত হৈ ৰানাৰ্ছআপত ক্ষান্ত থাকে আৰ্জেণ্টিনাই।

# বিজেপিৰ সেৱাজ্যোতি কলহ

পদৰ প্ৰাৰ্থী কৰে। বিজেপি মিত্ৰজোট নিৰ্বাচনত জয়ী হোৱাত নৰেন্দ্ৰ মোদী দেশৰ প্ৰধানমন্ত্ৰী হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- আজিৰ দিনটোত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুজৰাটৰ মুখ্যমন্ত্ৰী আৰু দেশৰ প্ৰধানমন্ত্ৰী হিচাপে ২৫ বছৰ সম্পূৰ্ণ কৰিলে। এই ২৫টা বছৰত আমাৰ দেশলৈ অকল্পনীয় পৰিৱৰ্তন আহিল। এসময়ত পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে আমাৰ দেশৰ ভিতৰত সোমাই আমাক আক্ৰমণ কৰিছিল। এটা সময় আছিল যেতিয়া আমাৰ দেশৰ সংসদ ভৱনতো পাকিস্তানৰ সন্ত্ৰাসবাদীয়ে আক্ৰমণ কৰিছিল। প্ৰধানমন্ত্ৰীৰ দায়িত্ব লৈ নৰেন্দ্ৰ মোদীয়ে পৰিস্থিতিৰ পৰিৱৰ্তন কৰিলে আৰু এতিয়া পাকিস্তানৰ সমৰ্থনপুষ্ট সন্ত্ৰাসবাদীয়ে ভাৰতত যদি আক্ৰম আক্ৰমণ সংঘটিত কৰে, আমাৰ দেশৰ সেনাই পাকিস্তানৰ ভিতৰত বোমা পেলোৱাৰ শক্তি আৰু সামৰ্থ্য অৰ্জন কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতে দেশৰ পৰা সন্ত্ৰাসবাদে বিদায় ল'লে। দেশৰ চাৰিওফালে বিকাশৰ এক নতুন কৰ্মযজ্ঞ আৰম্ভ হ'ল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ বিকাশৰ কৰ্মযজ্ঞৰ আটাইতকৈ সুস্পষ্ট প্ৰভাৱ পৰা প্ৰদেশখন অসম। ২০১৬ চনত যেতিয়া প্ৰথমবাৰৰ বাবে অসমত বিজেপি চৰকাৰ হৈছিল, তেতিয়া প্ৰধানমন্ত্ৰী মোদীয়ে এ ফৰ আছাম বুলি কৈছিল। তেতিয়া কোনেও ইয়াৰ অৰ্থ বুজি পোৱা নাছিল। কিন্তু আজি অসমৰ চাৰিওফালে হোৱা প্ৰগতি আৰু বিকাশে নৰেন্দ্ৰ মোদীৰ ভৱিষ্যদ্বাণী প্ৰতীয়মান কৰিলে। নৰেন্দ্ৰ মোদীৰ উদ্যোগৰ বাবেই অসমত প্ৰস্তাৱিত নুমলীগড়-গহপুৰ সংযোগী টানেল, বগীবিলৰ দলং, ধলা-শদিয়াৰ দলং, মাজুলী-যোৰহাট সংযোগী নিৰ্মীয়মাণ দলং, কলীয়াভোমোৰাৰ দ্বিতীয়খন দলং, কুমাৰ ভাস্কৰ বৰ্মা সেতু, ধুবুৰী-ফুলবাৰী দলং সম্ভৱ হৈছে। অসমৰ প্ৰতিখন জিলাতে একোখনকৈ মেডিকেল কলেজ, কাজিৰঙাৰ ওপৰত এলিভেটেড কৰিড'ৰ, জাগীৰোডৰ ছেমিকণ্ডাক্টৰ প্ৰকল্প, এইমছ গুৱাহাটী, অসমৰ এশ শতাংশ ব্ৰডগজ ৰে'লৰ বিদ্যুতীকৰণকে ধৰি অসমত অব্যাহত থকা ৰূপান্তৰৰ যজ্ঞ নৰেন্দ্ৰ মোদীৰ বাবেই সম্ভৱ হৈছে। মুখ্যমন্ত্ৰীয়ে পুনৰ কয়- এসময়ত অশান্ত উত্তৰ-পূবক প্ৰধানমন্ত্ৰী মোদীয়ে শান্তিৰ দ্বীপলৈ ৰূপান্তৰ কৰিলে। কেন্দ্ৰত একেৰাহে তিনিবাৰ বিজেপি চৰকাৰ গঠন, অসমকে ধৰি গুজৰাট, উত্তৰ প্ৰদেশ আদি প্ৰায়বোৰ ৰাজ্যতে বাৰে বাৰে বিজেপি চৰকাৰ গঠন, দেশৰ ৭৫ শতাংশ জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত আৰু গাঁও পঞ্চায়ত বিজেপিৰ দখল, পৌৰ নিকায়ত বিজেপিৰ আধিপত্য আদি সকলো নৰেন্দ্ৰ মোদীৰ নেতৃত্বৰ বাবেই সম্ভৱ হৈছে। আনহাতে নৰেন্দ্ৰ মোদীৰ নেতৃত্বত অযোধ্যাত ৰাম মন্দিৰ নিৰ্মাণ, সংবিধানৰ ৩৭০নং অনুচ্ছেদ বাতিল, তিনি তালাকৰ বিলুপ্তিকে ধৰি বিজেপি আৰু জনসংঘৰ সকলো গোট আদৰ্শগত ৰাজনৈতিক আকাংক্ষা পূৰণ হ'ল। ক'ভিড কালত নৰেন্দ্ৰ মোদীয়ে দেশক প্ৰদান কৰা সবল নেতৃত্বৰ কথাও আজি মুখ্যমন্ত্ৰী ড° শৰ্মাই শ্ৰদ্ধাৰে স্মৰণ কৰে। আজিৰ অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়া, দলৰ সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজু, সাধাৰণ সম্পাদক অনুপ বৰ্মন, বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, প্ৰদ্যুৎ বৰদলৈ, বিজয় কুমাৰ গুপ্তা, ড° তপন দাসৰ লগতে বিজেপিৰ কেইবাগৰাকীও শীৰ্ষ নেতা উপস্থিত থাকে।

# ধ্ৰুৱ ৰাথীক ঘৰৰ পৰা

সত্ত্বেও ভাৰতৰ ৰাজনৈতিক আন্দোলনত ধ্ৰুৱ ৰাথীৰ সক্ৰিয় অংশগ্ৰহণে এতিয়া আইনী আৰু ৰাজনৈতিক প্ৰশ্নৰ অৱতাৰণা কৰিছে। সূত্ৰ অনুসৰি, শনিবাৰে পুৱা ৭ বাজি ৪৮ মিনিটত ৰাথীৰ মাতৃয়ে দুৱাৰ খোলাৰ পাছত দিল্লী আৰক্ষীৰ লোক তেওঁৰ বাসগৃহত প্ৰৱেশ কৰে। শুকুৰবাৰে নিশাৰ পৰাই বাসগৃহৰ বাহিৰত প্ৰায় ৫০জন আৰক্ষীৰ লোক উপস্থিত থকা বুলিও জানিব পৰা গৈছে। গুৰুগ্ৰামৰ ছেক্টৰ ৫৬ৰ চেণ্ট্ৰেল পাৰ্ক বিহাৰত থকা পৰিয়ালৰ বাসগৃহৰ পৰাই আৰক্ষীয়ে ৰাথীক জিম্মাত লয় বুলি সূত্ৰই প্ৰকাশ কৰিছে। ইফালে, প্ৰতিবাদক কেন্দ্ৰ কৰি সপ্তম হৈ থকা আৰক্ষীয়ে যন্তৰ-মন্তৰৰ সমাৰেশলৈ অহা চিজেপিৰ মুৰব্বী অভিজিৎ দীপকে, সৌৰভ দাস, আশুতোষ ৰাংকাক ইন্দিৰা গান্ধী আন্তৰ্জাতিক বিমানবন্দৰৰ ভিতৰতে আটক কৰে। প্ৰাপ্ত তথ্য অনুসৰি, মুম্বাইৰ পৰা দিল্লীলৈ অহা অভিজিত দীপকে আৰু তেওঁৰ সহযোগীসকল দিল্লীৰ ইন্দিৰা গান্ধী আন্তঃৰাষ্ট্ৰীয় বিমানবন্দৰত অৱতৰণ কৰাৰ পাছতে আৰক্ষীৰ জিম্মালৈ যায়। তাৎপৰ্যপূৰ্ণ এই যে তিনিওগৰাকী শীৰ্ষ নেতাক আটক কৰিবলৈ মহিলা আৰক্ষী প্ৰেৰণ কৰিছিল দিল্লী আৰক্ষীয়ে। ইফালে আন্দোলন প্ৰতিহত কৰিবলৈ দিল্লীক একপ্ৰকাৰ দুৰ্গলৈ ৰূপান্তৰ কৰা হৈছে। ৰাজধানী চহৰখনত ৮ হাজাৰ মহিলাকে ধৰি প্ৰায় ৪০ হাজাৰ আৰক্ষী, অৰ্ধসামৰিক বাহিনী নিয়োগ কৰা হৈছে। চিজেপি আৰু বিৰোধীৰ প্ৰতিবাদক লৈ শাসকীয় বিজেপিয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবীনে অভিযোগ কৰি কয়, ১৪০ কোটি জনসাধাৰণে শান্তিত থকা দেশখনক দুটা শক্তিয়ে অস্থিৰতা স্থিতি কৰিবলৈ ডাঙৰ ষড়যন্ত্ৰ ৰচিছে। এই শক্তি দুটা হৈছে ৰাহুল গান্ধী নেতৃত্বাধীন ইণ্ডি মিত্ৰজোঁট আৰু আনটো হৈছে অৰবিন্দ কেজৰিৱালৰ নেতৃত্বত ক'কৰোচ পাৰ্টী। তদুপৰি এক বিদেশী শক্তিয়েও ভাৰতক অস্থিৰ কৰাৰ ষড়যন্ত্ৰ ৰচি আহিছে বুলি গুৰুতৰ অভিযোগ কৰে নীতিন নবীনে।

# নাভানেথেম নাভি পিল্লাইলৈ

যুঁজ দিয়াৰ লগতে আন্তঃৰাষ্ট্ৰীয় ন্যায়ালয় আৰু ৰাষ্ট্ৰসংঘতো গুৰুত্বপূৰ্ণ দায়িত্ব চম্ভালে তেওঁ। ডাৰবানৰ বাসিন্দা পিল্লাইয়ে দক্ষিণ আফ্ৰিকাৰ উচ্চন্যায়ালয়, ৰুৱাণ্ডাৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণ আৰু আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়ালয়ত বিচাৰকৰ দায়িত্ব পালন কৰে। ৰাষ্ট্ৰসংঘৰ মানৱ অধিকাৰ উচ্চায়ুক্ত হিচাপেও কাম কৰে তেওঁ। মহাত্মা গান্ধীৰ কৰ্মভূমি নাটাল প্ৰদেশৰ নাটাল বিশ্ববিদ্যালয়ৰ স্নাতক পিল্লাইয়ে ১৯৬৭ চনত প্ৰথমগৰাকী মহিলা হিচাপে তাত এখন ল' ফাৰ্ম প্ৰতিষ্ঠা কৰে। তেৰেঁই আছিল প্ৰদেশখনৰ প্ৰথমগৰাকী মহিলা আইনজীৱী। আমেৰিকাৰ হাৰ্ভাৰ্ড বিশ্ববিদ্যালয়ত আইন বিষয়ত শিক্ষা গ্ৰহণ কৰে তেওঁ। ১৯৮৮ চনত তেওঁ ডক্টৰেট ডিগ্ৰী লাভ কৰে। দক্ষিণ আফ্ৰিকা উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপে ১৯৯৫ চনত নিযুক্তি লাভ কৰে তেওঁ। ১৯৯৯ চনত ৰুৱাণ্ডাৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণৰ ন্যায়াধীশ তথা অধ্যক্ষ হয়। পিল্লাইয়ে পিছলৈ ১৯৯৫-২০০৩ বৰ্ষৰ সময়ছোৱাত ৰুৱাণ্ডাৰ আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়াধিকৰণৰ বিচাৰক হৈ থাকোঁতে এক ঐতিহাসিক ৰায় প্ৰদান কৰিছিল। ধৰ্ষণ আৰু যুদ্ধকালীন যৌন হিংসাক 'গণহত্যা'ৰ সমান বুলি স্বীকৃতি প্ৰদান কৰিছিল। আন্তঃৰাষ্ট্ৰীয় আইনৰ ইতিহাসত এই ৰায়টো নাৰী অধিকাৰ ৰক্ষাৰ আটাইতকৈ বৃহৎ পদক্ষেপ হিচাপে চিহ্নিত হৈ আছে। আন্তঃৰাষ্ট্ৰীয় অপৰাধ ন্যায়ালয়ৰ ন্যায়াধীশ হিচাপেও তেওঁ দায়িত্ব পালন কৰে। ২০০৮ চনৰ পৰা ২০১৪ চনলৈ তেওঁ ৰাষ্ট্ৰসংঘৰ মানৱাধিকাৰ মুৰব্বীৰ দায়িত্ব চম্ভালে। ২০২১-২৫ বৰ্ষৰ সময়ছোৱাত অধিকৃত পেলেষ্টাইন ভূ-খণ্ডক লৈ ৰাষ্ট্ৰসংঘৰ স্বাধীন আন্তঃৰাষ্ট্ৰীয় তদন্ত আয়োগৰো অধ্যক্ষতা কৰে। ২০১৯ চনত ম্যানমাৰৰ বিৰুদ্ধে গণহত্যাৰ অভিযোগত আন্তঃৰাষ্ট্ৰীয় বিচাৰ আদালতত এডহক ন্যায়াধীশ হিচাপে তেওঁক নিযুক্ত কৰা হয়। ম্যানমাৰৰ গৃহযুদ্ধৰ পৰিস্থিতিত ৰোহিংগ্যাসকলৰ ওপৰত নিৰ্যাতনৰ গোচৰৰো বিচাৰক আছিল তেওঁ। এইগৰাকী আইনজীৱীয়ে লাভ কৰে ২০২৬ বৰ্ষৰ শান্তিৰ ন'বেল বঁটা। চলিত বছৰৰ শান্তিৰ ন'বেল বঁটাৰ অৰ্থমূল্য ১ কোটি ২০ লাখ ছুইডিছ ক্ৰোণা। অহা ১০ ডিচেম্বৰত নৰৱেৰ অছলোত তেওঁক এই বঁটা প্ৰদান কৰা হ'ব।

# হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু

অভিনয়ৰ তীব্ৰতা, সংলাপ প্ৰক্ষেপণৰ নিজস্ব ভংগী আৰু জটিল তথা গতানুগতিকতাৰ বাহিৰত থকা চৰিত্ৰক ৰূপালী পৰ্দাত বিশ্বাসযোগ্য কৰি তোলাৰ দক্ষতাই তেওঁক অভিনেতাৰ সুকীয়া মৰ্যাদা প্ৰদান কৰিছিল। তিনিবাৰ তেওঁ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ পুৰস্কাৰেৰে সন্মানিত হয়। এইগৰাকী অভিনেতাৰ উল্লেখযোগ্য চলচ্চিত্ৰসমূহৰ তালিকাত আছে- নটসম্ৰাট, বাজুদ, গমন, পৰিন্দা, প্ৰহাৰ, অগ্নিসাক্ষী, ত্ৰিৰংগা, ক্ৰান্তিবীৰ, ৰাজনীতি, অংগাৰ, অব টক চাপ্পন, যশৱন্ত ইত্যাদি। মূলতঃ হিন্দী আৰু মাৰাঠী চলচ্চিত্ৰৰ সৈতে জড়িত আছিল তেওঁ। কাম কৰিছিল তামিল চিনেমাতো। ১৯৭৮ চনত 'গমন' ছবিৰ জৰিয়তে হিন্দী চিনেমাত পদাপৰ্ণ কৰা নানাই ক্ৰমান্বয়ে 'ছালাম বম্বে!' আৰু 'পৰিন্দা' দৰে চিনেমাৰ জৰিয়তে নিজৰ সুকীয়া পৰিচয় বনাবলৈ সক্ষম হয়। 'পৰিন্দা'ত তেওঁৰ অভিনয়ৰ জৰিয়তে বহু প্ৰশংসা লাভ কৰিছিল আৰু তেওঁৰ কেৰিয়াৰৰ এক টাৰ্নিং পইণ্ট হিচাপে প্ৰমাণিত হৈছিল। অংগাৰ, তিৰংগা, ক্ৰান্তিবীৰ, অগ্নি সাক্ষী, খামোশী: দ্য মিউজিকেল, যশৱন্ত, অব তক ছপ্পন, অপহৰণ, ৰাজনীতি আদি ছবিত তেওঁ স্মৰণীয় অভিনয় কৰিছিল। তেওঁৰ চৰিত্ৰবোৰ প্ৰায়ে শক্তিশালী আৰু সুকীয়া সংলাপ প্ৰদানৰ স্বকীয় পদ্ধতিৰ বাবে জনাজাত আছিল। মাৰাঠী চিনেমা আৰু থিয়েটাৰৰ লগতো যথেষ্ট জড়িত আছিল। ১৯৯১ চনত তেওঁ পৰিচালনা আৰু অভিনয় কৰা প্ৰহাৰঃ দ্য ফাইনেল এটেক ছবিখনৰ জৰিয়তে চলচ্চিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰখনত প্ৰৱেশ কৰে। তেওঁ হিন্দী আৰু মাৰাঠী প্ৰকল্পৰ মাজত পৰ্যায়ক্ৰমে কাম কৰি আহিছে। নানা গভীৰ আৰু শক্তিশালী চৰিত্ৰৰ বাবে বেছিকৈ পৰিচিত আছিল যদিও তেওঁ 'ৱেলকাম' ফ্ৰেঞ্চাইজিত নিজৰ কমিক দিশটোও দেখুৱাইছিল। 'ৱেলকাম'ত তেওঁৰ উদয় শ্বেট্টীৰ চৰিত্ৰই বিপুল জনপ্ৰিয়তা লাভ কৰাৰ লগতে তেওঁৰ কৰ্মৰাজিক নৱ প্ৰজন্মৰ দৰ্শকৰ সৈতে পৰিচয় কৰাই দিছিল। চিনেমালৈ নানাৰ অৱদানক কেইবাটাও ডাঙৰ সন্মানেৰে স্বীকৃতি দিয়া হয়। চিনেমা আৰু কলাক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ বাবে তেওঁ তিনিটাকৈ ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটা লাভ কৰাৰ লগতে ২০১৩ চনত পদ্মশ্ৰী বঁটা লাভ কৰে। চলচ্চিত্ৰৰ উপৰিও নানা বিভিন্ন সামাজিক কামৰ লগত জড়িত হোৱাৰ বাবেও পৰিচিত আছিল। নাম ফাউণ্ডেচনৰ জৰিয়তে তেওঁ কৃষক আৰু পৰিয়ালক সহায় কৰিছিল; তেওঁ অভিনেতা মাকাৰন্দ আনাছপুৰৰ সৈতে এই ফাউণ্ডেশ্যনটো সহ-প্ৰতিষ্ঠা কৰিছিল। বলিউডৰ যশস্বী অভিনেতাগৰাকীৰ মৃত্যুত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শোক প্ৰকাশ কৰে। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে নানা পাটেকাৰৰ বলিষ্ঠ আৰু হৃদয়স্পৰ্শী অভিনয়ৰ প্ৰশংসা কৰি তেওঁৰ মৃত্যু ভাৰতীয় চিনেমাৰ বাবে এক বৃহৎ ক্ষতি বুলি উল্লেখ কৰে। আনহাতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে হিন্দী আৰু মাৰাঠী চিনেমালৈ আগবঢ়োৱা তেওঁৰ অনবদ্য অৱদানক স্মৰণ কৰে।

# ৰিলায়েঞ্চৰ স্বত্বাধিকাৰী

আপোনাৰ একচেটিয়া শোষণৰ বিষয়টো আপুনি বাহাল ৰাখিবলৈ বিচাৰিবই। কিন্তু তথাপি আপুনি ষ্টাৰলিংকক প্ৰতিযোগিতালৈ অহাৰ সুযোগ দিয়াৰ কথা বিবেচনা কৰিব নেকি?' মাস্কৰ বক্তব্য যে আন সকলো দেশৰ দৰেই ভাৰততো এনে বহুতো ঠাই আছে, য'ত ইণ্টাৰনেট সেৱা নাই। ইয়াৰ ফলত শিশুসকল শিক্ষাৰ সুযোগৰ পৰা বঞ্চিত হৈছে। ক্ষুদ্ৰ ব্যৱসায়ীসকলে বিশ্ব বজাৰত তেওঁলোকৰ পণ্য বিক্ৰীৰ সুযোগ লাভ কৰা নাই। ষ্টাৰলিংকে তেওঁলোকৰ জীৱনযাত্ৰাৰ মান উন্নত কৰিব পাৰে। ষ্টাৰলিংকৰ কৃত্ৰিম উপগ্ৰহৰ ভিত্তিত ইণ্টাৰনেট সেৱা জকাইচুকীয়া এলেকালৈ গৈ পালে পৰিস্থিতি আৰু অধিক জটিল হ'ব পাৰে। কাৰণ এই ইণ্টাৰনেট সেৱা ব্যৱহাৰ কৰিয়েই সক্ৰিয় হৈ উঠিব পাৰে সশস্ত্ৰ সংগঠনসমূহ। ফলত দেশত অৰাজকতা সৃষ্টিৰ চেষ্টাও চলিব পাৰে, যি ভাৰতৰ নিৰাপত্তাৰ বাবে অত্যন্ত উদ্বেগজনক। উল্লেখ্য যে সম্প্ৰতি বিশ্বৰ লাখ লাখ মানুহে ব্যৱহাৰ কৰে ষ্টাৰলিংকৰ অত্যাধুনিক ইণ্টাৰনেট সেৱা। এতিয়ালৈকে ষ্টাৰলিংকে ৬০০০ৰো অধিক ছেটেলাইট উৎক্ষেপণ কৰিছে। ২০২৭ চনৰ ভিতৰত সেই সংখ্যা ৪২ হাজাৰলৈ বৃদ্ধি কৰাটোৱেই লক্ষ্য মাস্কৰ সংস্থাটোৰ। ষ্টাৰলিংকৰ হাইস্পীড ইণ্টাৰনেটৰ গতি হ'ব ৫০ৰ পৰা ২৫০ এমবিপিএছ। ল' আৰ্ট অৰ্বিট (ভূপৃষ্ঠৰ পৰা ১৬০ৰ পৰা ২, ০০০ কিলোমিটাৰ উচ্চতা)ৰ পৰা এই সেৱা প্ৰদান কৰা হয়। ছেটেলাইটৰ মাধ্যমেৰে যিহেতু এই সেৱা প্ৰদান কৰা হয় তাৰ ফলত যিকোনো ভিতৰুৱা অঞ্চলতো সহজতে ইণ্টাৰনেট সেৱা লাভ কৰিব পৰা যায়। উল্লেখ্য যে মাস্কৰ সংস্থা ষ্টাৰলিংকৰ ছেটেলাইট বৃদ্ধিত ইণ্টাৰনেট সেৱা যোৱা কেইবাবছৰ ধৰি ভাৰতত ব্যৱসায় কৰাৰ চেষ্টা চলাই আহিছে। কিন্তু সেয়া এতিয়াও সম্ভৱ হৈ উঠা নাই। কাৰণ শেহতীয়া প্ৰতিবেদন অনুসৰি ষ্টাৰলিংকসহ তিনিটা সংস্থাই প্ৰাথমিক অনুজ্ঞা লাভ কৰিলেও সেৱা আৰম্ভ কৰাৰ পূৰ্বে নিৰাপত্তা সম্পৰ্কীয় অনুমতি আৰু স্পেকট্ৰাম আবণ্টনৰ দৰে বিষয়সমূহ বাকী আছে।

# নগাঁৱত বিজেপি প্ৰাৰ্থী

স্পষ্ট হৈছে। উল্লেখ্য যে এইবাৰ উপ-নিৰ্বাচনত নগাঁৱত বিজেপিৰ পদুম ফুল ফুলাটো সকলোৱে আশা কৰিছিল আৰু এই প্ৰত্যাশাক সাকাৰ ৰূপ দি প্ৰত্যাশিতভাৱেই দেৱাশিস শৰ্মা নিশ্চিত ৰূপত জয়ী হয়। নগাঁও, মৰিগাঁও জিলাত আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰাৰ সময়তে দুয়োখন জিলাৰ সকলো জাতি-জনগোষ্ঠী, ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোৰে লগত সুসম্পৰ্ক গঢ়ি তোলা দেৱাশিস শৰ্মাই উপ-নিৰ্বাচনৰ সময়ত সকলোৰে আস্থা আৰু বিশ্বাস লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ মাজতো থকা বিৰোধীৰ প্ৰত্যাহ্বানৰ পাছতো দেৱাশিস শৰ্মা বিপুল ভোটত জয়ী হ'বলৈ সক্ষম হয়। আনহাতে নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনত জয়লাভ কৰাৰ পিছতে বিজেপি প্ৰাৰ্থী দেবাশিস শৰ্মাই সংবাদ মাধ্যমৰ আগত সাংসদীয় সমষ্টিটোৰ ভোটদাতা ৰাইজক আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰি সমষ্টিবাসীয়ে যি মৰম, আদৰ আৰু সহায়-সহযোগিতা আগ বঢ়ালে তাৰ বাবে সকলোৰে ওচৰত চিৰ কৃতজ্ঞ বুলি মন্তব্য কৰে। লগতে তেওঁ চাৰিটা সংখ্যালঘু সমষ্টিৰ ভোটদাতা ৰাইজক ধন্যবাদ জনাই কয়, তেওঁলোকে প্ৰমাণ কৰি দিলে যে উচিত পৰিৱেশ আৰু পৰিস্থিতি পালে তেওঁলোকে মৰম কৰে। চৰকাৰৰ পলিচী কেতিয়াও একপক্ষীয় নাছিল বুলি উল্লেখ কৰি তেওঁ কয় যে মুখ্যমন্ত্ৰী ড' হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত মৰিগাঁও আৰু জাগীৰোড দুয়োটা সমষ্টিক মিলাই যিসকল মহিলাই উদ্যমিতা আঁচনিৰ ধন লাভ কৰিছে তাতকৈ লাহৰীঘাটৰ মহিলাই বেছি লাভ কৰিছে। উন্নয়ন আৰু পৰিৱৰ্তন এইখন চৰকাৰে যিটো হাৰত কৰিছে সেইটো সংখ্যালঘুৰ ফালেও কৰিছে। তেওঁলোকে উপলব্ধি কৰিছে। তেওঁলোকে নতুনত্ব আপোন কৰি ল'ব বিচাৰিছে। তেওঁলোকে উন্নয়ন আৰু পৰিৱৰ্তন আঁকোৱালি ল'ব বিচাৰিছে আৰু সেই কাৰণে চৰকাৰৰ পক্ষে একেলগে হাত মিলাই চলিবলৈ চেষ্টা কৰিছে। বিজয়ী প্ৰাৰ্থী দেবাশিস শৰ্মাই লগতে কয়, আমি এই হাৰত জিকিম বুলি ভবা নাছিলোঁ। কিন্তু জিকিম বুলি নিশ্চিত আছিলোঁ।

# ঘোষণা হ'ল মেট্ৰিক

বিদ্যালয় আৰু স্বীকৃতিপ্ৰাপ্ত অপ্ৰাদেশীকৃত বিদ্যালয়সমূহৰ যিসকল ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকৰ বছৰেকীয়া আয় ৪ লাখতকৈ কম, তেওঁলোকৰ মাচুলসমূহ ৰেহাই দিয়া হৈছে। যিসকল প্ৰাৰ্থীয়ে দশম শ্ৰেণীৰ ইণ্টাৰনেল পৰীক্ষা, গোট পৰীক্ষা আৰু ছয়মাহিলি পৰীক্ষাত অৱতীৰ্ণ হোৱা নাই, তেওঁলোকক আগন্তুক মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ ক্ষেত্ৰত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। আনহাতে কেন্দ্ৰ মাচুল ৩৫০ টকাকৈ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ বাবদ পৰিষদে নিৰ্ধাৰিত সময়ত কেন্দ্ৰসমূহক প্ৰদান কৰিব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে। ইয়াৰ লগতে ইণ্টাৰনেল এছেছমেণ্টৰ নম্বৰসমূহ সংযোজনৰ বাবে অহা ১৪ ডিচেম্বৰৰ পৰা প'ৰ্টেলসমূহ মুকলি কৰা হ'ব।

## ENGLISH NEWS SECTION

# Governor Shri Acharya attends a programme Himalay Ki God Mein, Himalaya Ki Uchai Mei"



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya today paid rich tributes to the courage, sacrifice and commitment of the Indo-Tibetan Border Police (ITBP) as per the initiative of the Lok Bhavan Assam under Namo Matribhoomi Suraksha avam Swavalamban sankalp saptah, describing its personnel as valiant sentinels of the nation who safeguard India's frontiers in some of the most inhospitable terrains and extreme climatic conditions. Speaking at a programme titled "Himalay Ki God Mein, Himalaya Ki Uchai Mei", organised by the ITBP at the Don Bosco University campus in Sonapur, the Governor said that the Himveers, who stand vigilant amid freezing temperatures, thin air and formidable mountainous terrain, embody the indomitable spirit, discipline and patriotism that define the nation's security forces. He observed that the country's confidence in the security of its borders rests significantly on the courage, vigilance and professional commitment of personnel guarding its frontiers. The Governor said that the Himalayas are not only India's geographical frontier but also an enduring symbol of its civilisational heritage, cultural identity and national pride. He said that the sacrifices of the ITBP personnel reflect an extraordinary commitment to the Motherland, adding that their courage inspires the nation, their vigilance strengthens national security, and their dedication upholds the honour and sovereignty of India.

# Grand Launch of the New Assamese Short Film Nirvaana

RB News: The journey has begun for Nirvaana, the third Assamese short film produced under the banner of Heartbeat Production. The film was officially released on October 9 in a solemn ceremony held at the Aideo Cinema Hall in Panjabari, Guwahati. The short film was formally inaugurated by popular Assamese actor Jatin Bora, while acclaimed actress Sagarika Goswami commenced the event by lighting the traditional lamp. The special screening and launch event of the 55-minute-long film was graced by the cast, crew, media representatives, and several prominent personalities from Assam's cultural sphere, adding grandeur to the occasion. This new short film has been brought to life through the sole, dedicated efforts of the talented actress Rujula Das. In addition to penning the story, screenplay, and dialogues of Nirvaana, she also portrays its central character. Notably, the short film has been directed by the National Award-winning filmmaker Kripal Kalita and produced by Basanta Kumar Das. Featuring a blend of seasoned veterans and fresh, emerging talents, this film weaves a narrative centred around the modern-day crisis of psychological stress and the path to emotional healing. The film's diverse characters are brought to life by a talented ensemble, including Rujula Das, Champak Sharma, Mallika Sharma, Ruma Kalita, Dikshit Barman, Jishnu, Dibya Pratim Bhagawati, Raj Kulanandan Saikia, Jyotishman Saikia, Violina Deka, Harshil Kalita, Kiara Sharma Das, and Madhusmita Kalita Pathak among others. Enriching the experience, the film features two beautifully composed songs, both performed by rising artiste Shreya Kashyap. One of the tracks is written by Binisha Devi, with music and tunes crafted by Rujula Das. The presence of the cast, crew, and fans brought a unique charm and warmth to the entire evening.




# West Indies beat India by 6 wickets



RB News: West Indies defeated India by six wickets in the second T20 International in Ranchi on friday, levelling the five-match series to 1-1. It marked the highest-ever successful run chase against India in men's T20I history. Chasing a target of 250 runs, West Indies overhauled the score, posting 252 runs for the loss of four wickets in 18.3 overs, winning the match with nine balls to spare. Captain Shai Hope led from the front with a magnificent 102 off 45 balls, while Sherfane Rutherford's 84 off 37 set the chase alight. Earlier, put in to bat, India posted a formidable total of 249 for five in stipulated 20 overs. Sanju Samson top-scored for India with a brilliant 82 off 41 balls. Ishan Kishan with 43 off 22 balls also made a valuable contribution. Hope was adjudged Player of the Match for his outstanding performance. The third T20 International between India and West Indies will be played in Indore tomorrow. The match is scheduled to begin at 7 PM.

# New Zealand batter Jeet Raval retires from professional cricket



RB News: New Zealand left-handed batter Jeet Raval bid adieu to professional cricket on Friday. The 38-year-old featured in the 24 Tests and amassed 1,143 runs during his playing career from 2016 and 2020 Coincidentally, Raval grew up in Gujarat and learned in the same school as former India wicketkeeper-batter Parthiv Patel before his family moved to New Zealand. Raval played a total of 164 first-class games representing Auckland, Central Stags and Northern Districts. He made his first-class debut for Auckland in 2008, then moved to the Central Stags and then finally to Northern Districts. Followed by international debut in Test against Pakistan in 2016. The 38-year-old amassed 1,143 runs in 24 Tests from 2016 to 2020. Jeet Rawal played his last international match against Australia in Sydney in 2020.

# ডিপ্ৰেছন আৰু যুৱ-প্ৰজন্ম



নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি

ঃ আধুনিকতাৰ কোলাহলত হেৰাই যোৱা মনৰ নীৰৱ আৰ্তনাদ -

"মানুহে মানুহৰ বাহ্যিক হাঁহি মুখখনহে দেখে; কিন্তু সেই মুখখনৰ আঁৰত কিমান যে অদৃশ্য যুদ্ধ চলি থাকে, তাৰ খবৰ কিমানজনে ৰাখে?"

বৰ্তমান সময় বিজ্ঞান, প্ৰযুক্তি আৰু আধুনিকতাৰ দ্ৰুত অগ্ৰগতিৰ সময়। পৃথিৱীখন যেন হাতৰ মুঠিত সোমাই পৰিছে। যোগাযোগৰ অভাৱ নাই, জ্ঞান আহৰণৰ পথৰ অভাৱ নাই, সুযোগৰো অভাৱ নাই। তথাপিও এই সকলোবোৰৰ মাজত মানুহৰ মন যেন ক্ৰমাৎ অধিক অস্থিৰ, নিঃসংগ আৰু ক্লান্ত হৈ পৰিছে। বিশেষকৈ যুৱ প্ৰজন্মৰ মাজত মানসিক চাপ, উদ্বেগ আৰু ডিপ্ৰেছনৰ দৰে সমস্যাই এক গুৰুত্বপূৰ্ণ সামাজিক-মানসিক প্ৰশ্নৰ ৰূপ লৈছে।

ডিপ্ৰেছন কেৱল এদিন-দুদিনৰ মন বেয়া হোৱা ঘটনা নহয়। ই এনে এক জটিল মানসিক অৱস্থা, যিয়ে মানুহৰ চিন্তা, অনুভৱ, আগ্ৰহ আৰু দৈনন্দিন জীৱনযাত্ৰাত দীঘলীয়া সময় ধৰি প্ৰভাৱ পেলাব পাৰে। দুখৰ বিষয়টো হ'ল-এই যন্ত্ৰণা সদায় চকুৰে দেখা নাযায়। অনুভৱ কৰিব পৰা নাযায়। ইয়াৰ আঁৰত নানান কাৰণ থাকিব পাৰে। তাৰে কিছু কাৰণ অত্যন্ত ক্ষতিকাৰক। তাৰে কিছুমান কাৰণ তলত উল্লেখ কৰা হৈছে।

১) প্ৰতিযোগিতামূলক জীৱন আৰু সফলতাৰ অন্ধ দৌৰঃ

আজিৰ যুৱক-যুৱতীৰ জীৱন যেন এক অবিৰাম প্ৰতিযোগিতা। বিদ্যালয়ৰ ফলাফলৰ পৰা আৰম্ভ কৰি উচ্চ শিক্ষা, চাকৰি, কেৰিয়াৰ, উপাৰ্জন-প্ৰতিটো স্তৰতে নিজকে প্ৰমাণ কৰাৰ এক অদৃশ্য চাপ।

"আনজন আগবাঢ়িছে, মই কিয় পৰা নাই?"

এই প্ৰশ্নটোৱে কেতিয়াবা আভ্যন্তৰীণ আত্মবিশ্বাসক লাহে লাহে ক্ষয় কৰে। পৰীক্ষাত ব্যৰ্থতা, চাকৰি নোপোৱা বা নিজৰ লক্ষ্যত পলম হোৱা কথাই বহু সময়ত যুৱক যুৱতীক নিজৰ সামৰ্থ্যৰ ওপৰতে সন্দেহ কৰিবলৈ বাধ্য কৰে।

২) সামাজিক মাধ্যম আৰু তুলনাৰ মানসিকতাঃ

সামাজিক মাধ্যম আজিৰ জীৱনৰ এক অবিচ্ছেদ্য অংগ। কিন্তু ইয়াৰ আন এটা দিশো আছে-অবিৰত তুলনা। কোনোবাই নতুন গাড়ী এখন কিনিছে, কোনোবাই বিদেশত পঢ়িবলৈ গৈছে, কোনোবাই চাকৰি পাইছে, কোনোবাই সুখী জীৱনৰ ছবি প্ৰকাশ কৰিছে। এইবোৰ দেখি নিজৰ জীৱনটো পিছ পৰি থকা যেন অনুভৱ হ'বই পাৰে। কিন্তু আমি পাহৰি যাওঁ- সামাজিক মাধ্যমত মানুহে সাধাৰণতে জীৱনৰ সম্পূৰ্ণ কাহিনী নেদেখুৱায়; দেখুৱায় কেৱল বাছি লোৱা কেইটামান সুন্দৰ পৃষ্ঠা। আনজনৰ সেই কেইটামান পৃষ্ঠাৰ সৈতে নিজৰ সম্পূৰ্ণ জীৱন তুলনা কৰাটো অত্যন্ত মূৰ্খামি। ই এক গভীৰ মানসিক ফান্দ।

৩) পৰিয়ালৰ আশা আৰু সামাজিক চাপঃ

প্ৰতিগৰাকী পিতৃ-মাতৃয়ে সন্তানৰ এটি ভাল ভৱিষ্যৎ বিচাৰে। কিন্তু কেতিয়াবা ভালৰ বাবে কৰা অতিমাত্ৰা প্ৰত্যাশাই সন্তানৰ ওপৰত অদৃশ্য বোজা সৃষ্টি কৰে।

"ভাল নম্বৰ পাবই লাগিব।" "চাকৰি কেতিয়া পাবা?" " অমুকৰ সন্তান ইমান আগবাঢ়িল, তুমি কিয় নোৱাৰিলা?"-এনে কথাবোৰ বাৰে বাৰে শুনিলে এজন যুৱক ! যুৱতীৰ মনত নিজৰ প্ৰতি অপৰ্যাপ্ততাৰ অনুভৱ জন্ম ল'ব পাৰে।

সন্তানক কেৱল সফলতাৰ সময়ত হাতত ধৰি থকাই নহয়, ব্যৰ্থতাৰ সময়তো কাষত থকাটোৱেই প্ৰকৃত অভিভাৱকত্ব।

৪) সম্পৰ্কৰ ভাঙন আৰু অপ্ৰকাশিত অনুভূতিঃ

যুৱ জীৱনত বন্ধুত্ব, ভালপোৱাৰ সম্পৰ্কৰ বিশেষ ভূমিকা থাকে। কোনো সম্পৰ্কৰ ভাঙন, বিশ্বাসভংগ, অৱহেলা অথবা ভুল বুজাবুজিয়ে মনত গভীৰ প্ৰভাৱ পেলাব পাৰে। কিন্তু আমাৰ সমাজত বহু যুৱ প্ৰজন্মই নিজৰ অনুভূতি প্ৰকাশ কৰিবলৈ সংকোচ কৰে। তেওঁলোকে কান্দিব নোৱাৰে, ক'ব নোৱাৰে, আনকি নিজৰ ঘনিষ্ঠ মানুহৰ আগতো নিজৰ কষ্ট স্বীকাৰ কৰিবলৈ ভয় কৰে। ফলত নোকোৱা কথাবোৰেই কেতিয়াবা মনৰ ভিতৰত আটাইতকৈ ডাঙৰ বোজা হৈ পৰে।

৫) ভিৰৰ মাজতো একাকীত্বঃ

আজিৰ প্ৰজন্মৰ হাতত যোগাযোগৰ মাধ্যম অগণন। তথাপিও বহু মানুহে অনুভৱ কৰে-"মোৰ কথা সঁচাকৈ শুনিব পৰা মানুহ এজনো নাই।" হাজাৰজন online friend থাকিব পাৰে, কিন্তু নিজৰ ভয়, ব্যৰ্থতা, হতাশা অথবা দুৰ্বলতাৰ কথা নিৰ্ভয়ে ক'ব পৰা মানুহৰ সংখ্যা অতি কম হ'ব পাৰে। সেয়েহে একাকীত্ব সদায় মানুহ নথকাৰ ফল নহয় ; কেতিয়াবা মানুহৰ মাজতো নিজকে অকলশৰীয়া অনুভৱ কৰাটোৱেই প্ৰকৃত একাকীত্ব।

৬) "মই ভালেই আছোঁ"- এটা কৃত্ৰিম হাঁহিৰ আঁৰতঃ

ডিপ্ৰেছনৰ আটাইতকৈ কঠিন দিশসমূহৰ এটা হ'ল-ই সদায় বাহিৰৰ পৰা ধৰা নপৰে। যিজন মানুহে সকলোৰে সৈতে হাঁহি হাঁহি কথা পাতে, সকলোকে সহায় কৰে, সামাজিক মাধ্যমত সুখী ছবি প্ৰকাশ কৰে-তেওঁৰ মনৰ ভিতৰতো কষ্ট থাকিব পাৰে। সেয়েহে কাৰোবাৰ হাঁহিক দেখি তেওঁৰ জীৱনটো সম্পূৰ্ণ সুখী বুলি সিদ্ধান্ত লোৱাটো উচিত নহয়। কেতিয়াবা এটা "মই ঠিকেই আছোঁ" ৰ আঁৰত বহু নোকোৱা অনুভূতি লুকাই থাকে।

৭) ব্যৰ্থতাক জীৱনৰ অন্তিম সিদ্ধান্ত বুলি ভবাঃ

যুৱ প্ৰজন্মৰ এটা ডাঙৰ ভুল হ'ল-এটি ব্যৰ্থতাক সমগ্ৰ জীৱনৰ ব্যৰ্থতা বুলি গণ্য কৰা। কোনো এটা পৰীক্ষাত কম নম্বৰ লাভ কৰা, এটা চাকৰিৰ interview-ত ব্যৰ্থতা, এটা relationship-ৰ সমাপ্তি বা কোনো এটা লক্ষ্য পূৰণ নোহোৱাই মানুহৰ সমগ্ৰ জীৱনৰ মূল্য নিৰ্ধাৰণ নকৰে।

ব্যৰ্থতা জীৱনৰ শেষ অধ্যায় নহয়; ই কেতিয়াবা নতুন অধ্যায়ৰ আৰম্ভণিও হয়। জীৱনৰ গতি সকলোৰে একে নহয়। কোনোবাই সোনকালে সফল হয়, কোনোবাই অলপ পলমকৈ। পলম হোৱা মানেই পৰাজিত হোৱা নহয়।

৮) ডিপ্ৰেছনক দুৰ্বলতা বুলি নাভাবোঁঃ

মানসিক স্বাস্থ্যৰ বিষয়ে আমাৰ সমাজত এতিয়াও বহু ভুল ধাৰণা আছে। "বেছি ভাবিছে অথবা overthinking", "নিজকে ব্যস্ত ৰাখিলেই সকলো ঠিক হৈ যাব ", "এইবোৰ একো নহয়, সকলো attention পাবলৈ হে কৰিছে"-এনে মন্তব্যই সমস্যাটোক আৰু অধিক কঠিন কৰি তুলিব পাৰে। মানসিক কষ্টক উপহাস নকৰি বুজিবলৈ চেষ্টা কৰাটো অত্যন্ত প্ৰয়োজনীয়।

যদি কোনোবাই দীঘলীয়া সময় ধৰি গভীৰ মনমৰা ভাব, আশাহীনতা, আগ্ৰহ হ্ৰাস বা দৈনন্দিন জীৱনত অসুবিধা অনুভৱ কৰে, তেন্তে বিশ্বাসযোগ্য মানুহৰ সৈতে কথা পতা আৰু প্ৰয়োজন অনুসৰি মানসিক স্বাস্থ্য বিশেষজ্ঞৰ সহায় লোৱাটো একেবাৰে স্বাভাৱিক পদক্ষেপ।সহায় বিচৰাটো দুৰ্বলতাৰ চিন নহয়; বৰঞ্চ নিজৰ জীৱন আৰু সুস্থতাৰ প্ৰতি দায়িত্ববোধৰ চিন।

৯) সমাধান কেৱল যুৱ প্ৰজন্মৰ হাতত নাইঃ

ডিপ্ৰেছনৰ কথা ক'লে কেৱল যুৱক-যুৱতীক "strong হোৱা" বুলি ক'লেই সমস্যাৰ সমাধান নহয়। পৰিয়ালেও শুনিব লাগিব। বন্ধুৱেও বুজিব লাগিব। শিক্ষকে মানসিক চাপৰ কথাত গুৰুত্ব দিব লাগিব। সমাজে মানসিক স্বাস্থ্যক লৈ থকা কুসংস্কাৰ আঁতৰাব লাগিব।

হঠাৎ অস্বাভাৱিক আচৰণ কৰা মানুহক ইতিকিং নকৰি তেওঁক ভালদৰে সুধিব লাগে-"তুমি কিয় এনেকুৱা হৈ গৈছা দিনে দিনে? কিবা সমস্যা হৈছে যদি মোক ক'ব পাৰা, মই শুনিম সকলো কোনো ধৰণৰ প্ৰশ্ন নকৰাকৈ। বিশ্বাস কৰিব পাৰা, বন্ধু ভাবিব পাৰা।"

কেতিয়াবা আটাইতকৈ বেছি প্ৰয়োজনীয় প্ৰশ্নটো হ'ল- "তুমি কেনে আছা? মনৰ পৰা সুখী আছানে তুমি? তোমাৰ হাঁহিৰ আঁৰত থকা বিষাদৰ কাৰণ কি?"

১০) নিজৰ সৈতে অলপ কোমল হোৱাঃ

সফলতাৰ দৌৰত আমি প্ৰায়ে নিজৰ সৈতেই আটাইতকৈ কঠোৰ হৈ পৰোঁ। সকলো সময়তে perfect হ'ব লাগিব বুলি কোনো কথা নাই। কেতিয়াবা ভাগৰি পৰাটোও স্বাভাৱিক, পলম হোৱাটোও স্বাভাৱিক, ভুল কৰাটোও মানৱীয়। নিজৰ জীৱনৰ গতি আনৰ জীৱনৰ সৈতে তুলনা নকৰি নিজৰ পথটো বুজিবলৈ শিকাটোৱেই মানসিক শান্তিৰ এক গুৰুত্বপূৰ্ণ অংশ।

যুৱ প্ৰজন্ম দেশ এখনৰ কেৱল ভৱিষ্যৎ নহয়-তেওঁলোক আজিৰ সমাজৰো এক গুৰুত্বপূৰ্ণ অংশ। তেওঁলোকৰ হাতত সপোন আছে, সম্ভাৱনা আছে; কিন্তু সেই সপোনবোৰক জীয়াই ৰাখিবলৈ এটা সুস্থ মনৰো প্ৰয়োজন। ডিপ্ৰেছনক লুকুৱাই ৰখা, উপহাস কৰা বা উপেক্ষা কৰাতকৈ ইয়াৰ বিষয়ে মুকলিকৈ কথা পাতিব পৰা এখন সংবেদনশীল সমাজৰ প্ৰয়োজন। আমি এনে এখন সমাজ গঢ়িব লাগিব, য'ত এজন যুৱকে ব্যৰ্থ হ'লে নিজকে মূল্যহীন বুলি নাভাবে; সহায় বিচাৰিলে লাজ নাপায়; কান্দিলে দুৰ্বল বুলি গণ্য নহয় আৰু নিজৰ মনৰ কথাখিনি ক'বলৈ ভয় নকৰে। কাৰণ মানুহক সদায় ডাঙৰ ডাঙৰ উপদেশৰ প্ৰয়োজন নহয়। কেতিয়াবা মাত্ৰ এজন মন দি শুনা মানুহ, এটা বুজি পোৱা মন, আৰু এটা "মই আছোঁ, তুমি অকলশৰীয়া নহয়"-এইখিনিয়েই যথেষ্ট মূল্যবান হৈ পৰে।

ডিপ্ৰেছনৰ বিৰুদ্ধে যুঁজ কেৱল চিকিৎসাৰ নহয়; ই মানুহক মানুহ হিচাপে বুজি পোৱাৰ যুঁজ।

## অস্পৃশ্যতাঃ মানৱতাৰ

আমাৰ সামূহিক সংকল্প।

যিদিনা কোনো মানুহে আন এজন মানুহৰ কাষত থিয় হ'বলৈ নিজৰ জন্মৰ পৰিচয়ৰ ব্যাখ্যা দিব নালাগিব, যিদিনা 'উচ্চ-নীচ'ৰ সীমাৰেখা মচি মানুহে মানুহক কেৱল 'মানুহ' হিচাপেই চাবলৈ শিকিব-সেইদিনাই অস্পৃশ্যতাৰ ওপৰত মানৱতাৰ প্ৰকৃত বিজয় সাব্যস্ত হ'ব। সেইদিনাৰ অপেক্ষাই নহয়, সেইদিনা আনিবলৈ আজিৰ পৰাই আমাৰ চিন্তা, চেতনা আৰু আচৰণৰ পৰিৱৰ্তনেই হওক সৰ্বশ্ৰেষ্ঠ অঙ্গীকাৰ।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ স্বৰ্গীয় মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286